
# পাঁচ পইচাৰ পৃথিৱী




মহেশ মেধি

# পাঁচ পইচাৰ পৃথিৱী

লেখক --- মহেশ মেধি

"Pach Paichar Prithibi" A Book on Assamese Short stories written by Mahesh ch. Medhi of Manpara, Guwahati-25 & Published by Smti Lily Medhi on behalf of Uddipta Prakashan GHY-25.
Price Rupees Twenty five only. Rs. 25.00

প্ৰকাশিকা – শ্ৰীমতী লিলি মেধি
উদ্দীপ্ত প্ৰকাশন
গুৱাহাটী-২৫

প্ৰথম প্ৰকাশ - অক্টোবৰ, ১৯৯৬

বেটুপাত শিল্পী — শ্ৰীনয়ন ৰড়ো
লেখকৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত

মুদ্ৰণ– শ্ৰীদিলীপ কুমাৰ মেধি

ছপালাশ – মেধি আৰ্টচ প্ৰেছ
মানপাৰা, গুৱাহাটী-২৫

অৰিহণা -২৫.০০ টকা মাত্ৰ

# সূচীপত্ৰ

১। স্খলিত বিবেক

২। দংশন

৩। তপেশ্বৰ মাষ্টৰ আৰু বিহুতলি

৪। পাঁচ পইচাৰ পৃথিৱী

৫। পৰিবৰ্ত্তন

৬। পৰিবৰ্ত্তনৰ আশাৰে .....

৭। স্বউক্তি

৮। প্ৰতিশোধৰ দাবাগ্নি জ্বলে যেতিয়া

৯। দয়াৰামৰ দুৰ্দিন

# লেখকৰ অন্যান্য প্ৰকাশিত পুথি সমূহ

- অঞ্জলী – ( কবিতা পুথি )
- তাইৰো মন যায় – ( গল্প )
- অসম দৰ্পন – ( প্ৰৱন্ধ সংকলন)
- পুষ্পাৰ্ঘ – (জীৱনী গ্ৰন্থ )
  সম্পাদনা (দ্বিতীয় বাৰ )
- হৰিদাস মহন্ত স্মৰণিকা – ( জীৱনী গ্ৰন্থ )
- স্মৃতি চয়ন – ( সম্পাদিত )

# উৎছৰ্গা

বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ পূজ্যপাদ

প্ৰয়াত শ্ৰীশ্ৰীচন্দ্ৰকান্ত দেৱমিশ্ৰ

আৰু

নলবাৰীৰ কাজি চুবুৰীৰ প্ৰয়াত

অক্ষয় কুমাৰ কাজিৰ পবিত্ৰ

সোঁৱৰণত মোৰ এয়া

"পাঁচ পইচাৰ পৃথিৱী"

অৰ্পণ কৰিলোঁ ।।

লেখক

মহেশ মেধি

# লেখকৰ তোৰণ

স্কুলীয়া জীৱনতে মনৰ গোপন কোঠাত পুহি ৰাখিছিলো লেখক সাংবাদিক হোৱাৰ অদম্য হেঁপাহ আৰু সমাজসেৱা কৰাৰ। স্কুলত পঢ়ি থাকোতে আমাৰ পুজ্যস্পদ শিক্ষাগুৰু স্বাধীনতা সংগ্ৰামী পুৰুষ, বামুন্দী হাইস্কুলৰ তেতিয়াৰ প্ৰধান শিক্ষক শ্ৰীযুত আদ্যনাথ চক্ৰৱৰ্ত্তীয়ে যেতিয়া ক্লাচত কাৰ কি হোৱা জীৱনৰ লক্ষ্য সম্পৰ্কে সুধিছিল তেতিয়া তাকে মই কৈছিলো। সেই উদেশ্য সাৰোগত কৰি জীৱনৰ খলা-বমা বাটত আগবাঢ়ি থাকোতে পোৱা কিছুমান অভিজ্ঞতাৰ পৰা ওলোৱা চিন্তাকে গল্পৰ আকাৰত থুপ কৰি কিতাপ আকাৰে থলো। অৱশ্যে সৰহ সংখ্য গল্প “আলোক” সাপ্তাহিকত প্ৰকাশ হৈছে। গল্প লেখক হ’ব পাৰিছো নে নাই সেইটো মই ক'ব নোৱাৰো, কিন্তু মনৰ মাজত থৌকি-বাখো লগাই থকা ভাববোৰক বান্ধি ৰাখিলো। পাঠক সকলৰ বিচাৰে মোক দিব উৎসাহ আৰু লেখাৰ প্ৰেৰণা। আনহাতে, সাংবাদিকতাকে জীৱনৰ মূল ব্ৰত হিছাপে লৈ ‘অসম দৰ্পণ' সাপ্তাহিক হিছাপে দুই বছৰৰ অধিক কাল সম্পাদনা কৰাৰ পিচত বিশেষ অসুবিধাৰ বাবে বন্ধ ৰাখিব লগীয়া হোৱাত বৰ্ত্তমান ‘ৰঙিলী বাৰ্তা' সাপ্তাহিকখন সম্পাদনা কৰি আছো। নেজানো মোৰ সম্পাদিত বাতৰিখনে ৰাইজৰ সেৱাত অসমীয়া সংবাদ আৰু ভাষা সাহিত্যৰ সেৱাত কিমান অবিহণা জগাব পাৰিছে। তথাপিও আগবাঢ়ি আছো-আগবাঢ়ি আছো ৰাইজৰ আশীষ বিচাৰি।

পাঁচ পইচাৰ পৃথিৱীৰ আটাইবোৰ গল্পই লেখকৰ কল্পনাপ্ৰসূত । গতিকে এনেবোৰ কাহিনী যদি কাৰোবাৰ সৈতে মিলি যায় সেয়া লেখকৰ অজ্ঞাত। তাৰ বাবে ক্ষমা মাগিলোঁ ।

‘পাঁচ পইচাৰ পৃথিৱী’ খন ছপোৱাত মোৰ ভাতৃ শ্ৰীমান দিলীপ কুমাৰ মেধি আৰু ভাতৃ প্ৰতীম কবি চিত্ৰ শিল্পী শ্ৰীনয়ন বড়োৰ লগতে সকলোৰে আদৰৰ ইঞ্জিনীয়াৰ মাননীয় শ্ৰীযুত সুধাংশু দে দাদাৰ শলাগ ললো।

বিজয়া দশমী তিথি

অক্টোবৰ ১৯৯৬ ইতি-

মহেশ মেধি

# স্খলিত বিবেক

সদ্য প্ৰসৱিণী খঙাল বাঘিণী জনীৰ দৰে জাহানাৰাই চিঞৰি উঠিল যোগেনক দেখি। যোগেনে তলকিবই নোৱাৰিলে, হঠাৎ কি হ'ল জাহানাৰাৰ।

"কি-কি চাই আছে আপুনি অভদ্ৰৰ দৰে মানুহ দেখা নাই নেকি।" যেন প্ৰাইমাৰী স্কুলৰ তৃতীয় শ্ৰেণীত পঢ়া ছাত্ৰী এজনীয়ে পদ্যহে মুখস্থ গাইছে ঠিক তেনেদৰে জাহানাৰাই কথা খিনি কৈ গ'ল।

যোগেনে জাহানাৰাৰ পৰা এনে অপ্ৰত্যাশিত কথা শুনিব বুলি কেতিয়াও ভবা নাছিল। এনে অপ্ৰাসঙ্গিক কথা খিনি শুনিব লগাত যোগেন মৰ্মাহত হৈছিল আৰু মুখখন লাজতে সেন্দুৰীয়া বৰলৰ নিচিনা ৰঙা হৈ পৰিছিল। তেওঁ লগে লগে নিজৰ টেবুললৈ আহি মূৰে কপালে হাত দি বিমৰ্ষ মনে বহি পৰে অফিচৰ কোঠাটোৰ গোটেই কেইজন লোকে জাহানাৰাৰ কথাখিনি শুনি বিচুৰ্ত্তি খালে আৰু ইজনে সিজনৰ মুখৰ পিনে চোৱা চিটা কৰিলে। অফিচৰ গোটেই কোঠাটো যেন এচাটি গৰম বতাহে চানিহে পেলালে আৰু যোগেনৰ মুখ মণ্ডলত বুদ্‌বুদ্‌ কিছুমান ঘামৰ কণিকা দেখা পোৱা গ'ল। অফিচৰ পিয়ন ভগৱানে কাচৰ গিলাচটোত এগিলাচ ঠাণ্ডাপানী আনি যোগেনৰ টেবুল খনতে ৰাখি কলে– "শৰ্মা দা পানী গিলাচ খাওঁক।"

জাহানাৰা আৰু যোগেন শৰ্মা একেটা অফিচতে কাম কৰে। দুয়ো পুৰণি চিনাকি। কেইবা বছৰৰ পিচত পুনৰ জাহানাৰা অৰু যোগেনৰ দেখা দেখি হয় দিচপুৰত থকা তেওঁলোকৰ কোম্পানীৰ অফিচটোত। মনৰ মাজত ঠুপ খাই থকা ক্ষোভ আৰু বেদনাৰ জুইকুৰাই জাহানাৰৰ হৃদয়ক তিল তিল কৈ পুৰি আছিল আৰু সিদিনা তেওঁৰ টেবুলৰ কাষলৈ আহোতেই নিজৰ বিবেকৰ ভাৰসাম্য বজাই ৰাখিব নোৱাৰি যোগেনক দেখি পাগলীৰ দৰে চিঞৰি উঠিছিল ......।

যোগেনে নিৰ্বিবাদে জাহানাৰাৰ টেবুলৰ পৰা ফাইলটো লৈ অহি অফিচৰ বৰবাবুৰ ওচৰ পালে। বৰবাবু ৰবীন বৰুৱাইয়ো জাহানাৰৰ এনে কাৰ্য্য দেখি বিচূৰ্ত্তি খাইছিল আৰু যোগেনে কৈ যোৱা কথাখিনি মনোযোগেৰে শুনি গৈছিল।

ঃ দেখিছে বৰুৱা দা আজিৰ পৰিৱেশটো। কি হ'ল তেওঁৰ। দৰকাৰী ফাইলটো আনিবলৈ যাওঁতেই তেনেকৈ চিঞৰি উঠিব লাগে নে? আপুনি নিজ চকুৰেই দেখিছে আৰু কথা খিনিও শুনিছে, গতিকে ইয়াৰ এটা সুবিচাৰ কৰি দিব লাগিব, নহলে কথা বিষম হ'ব গৈ। মই তেওঁৰ ওচৰত অড্ডা মাৰিব গৈছিলোঁ নেকি, নে কিবা কথাকে পাতিব খুজিছিলো যে তেওঁ মোক এনেকুৱা অভদ্ৰ ব্যৱহাৰ কৰিব? যদি সঁচাকৈয়ে তেওঁ এজনী নিজকে ভদ্ৰ মহিলা বুলি ভাৱে, তেতিয়া হলে মাইকী মানুহ হৈ অফিচলৈ কেনেধৰণৰ কাপোৰ কানি পিন্ধি আহিব লাগে নেজানে নেকি? আপুনিওতো দেখিছে ভদ্ৰ মহিলা গৰাকীৰ সাজ-পাৰ কিমান মাৰ্জ্জিত? এটি সন্তানৰ মাতৃত্ব লাভ কৰাৰ পিচতো তেওঁ নিজৰ জিপাল উঠন বুকুখন ডালদৰে আৱৰি ৰাখিব নোৱাৰে নে? বাৰু সিবোৰ মোৰ বক্তব্য নহয়, আজিৰ এই কাৰ্য্যৰ বিচাৰ কৰি দিব লাগিব।

ঃ "বাৰু যাওঁকচোন নিজৰ চকীত বহক গৈ।" বৰুৱাই চকুৰ পৰা বিট্ চকু যোৰ আতৰ কৰি থৈ যোগেন শৰ্মক শান্তনা দি মনে মনে বহি থাকিবলৈ অনুৰোধ জনালে।

বৰবাবুৰ কোঠাৰ পৰা যোগেন শৰ্মা পুনৰ নিজৰ টেবুললৈ আহি নিজ আসনত বহি পৰিল আৰু তেওঁৰ মনলৈ নিগৰি আহিব ধৰিলে সেই পুৰণি অতীতৰ স্মৃতিবোৰ, এটাৰ পিচত এটাকৈ.......

এই কোম্পানীটোত জানাৰাতকৈ যোগেন এবছৰৰ চিনিয়ৰ । পোন প্ৰথমতে জাহানাৰা যোগেনৰ ওচৰতে বহিছিল টাইপিষ্ট হিচাপে আৰু ইটো সিটো ইংৰাজী শব্দ নেজানিলে যোগেনকে শুধি পুচি লৈছিল । তেওঁ নিৰ্বিবাদে জাহানাৰাক শিকাই দিছিল । জাহানাৰা দেখাত বেছি ধুনীয়া নহয়। মিঠা বৰণৰ, গোলাকৃতিৰ ক্ষীণাকায় অৱয়বৰ এগৰাকী উঠন গাভৰু। প্ৰাক্ বিশ্ববিদ্যালয়ৰ দেউনাখন পাৰ হৈয়ে জাহানাৰা এই কোম্পানীটোত সোমায়। প্ৰথম অৱস্থাত জাহানাৰ যেতিয়া চাকৰিত সোমাই তেতিয়া এখন সাধাৰণ সূতাৰ শাৰী পিন্ধি আহিছিল আৰু চাকৰিত জইন কৰাৰ পিচত ডিভিজনেল মেনেজাৰে জাহানাৰাক যোগেনৰ ওচৰলৈকে পঠাই দিছিল। ডিভিজনেল মেনেজাৰ শৰৎ ভট্টাচাৰ্যাই জানে যে যোগেন শৰ্মাই তেওঁক সকলোখিনি অফিচিয়েল কথা ভালদৰেই বুজাই দিব পাৰিব তাকে ভাবিয়ে জাহানাৰাক যোগেনৰ ওচৰলৈ পঠাইছিল। সেই মৰ্মে জাহানাৰাক যোগেনে সকলো

অফিচৰ ব্যৱস্থাৰ ঠিক ঠাক কৰি দিছিল আৰু জাহানাৰায়ো তেওঁৰ কাষত বহি ভালেই পাইছিল।

এদিন দুদিনকৈ দিনবোৰ অতীতৰ বুকুত বাগৰি থাকিল । জাহানাৰাৰ সাজ পাৰতো পৰিবৰ্ত্তনে দেখা দিলে । জাহানাৰিৰ ব্ৰন ওলোৱা গাল দুখনো দিনে দিনে চিকুণ কোমল হৈ আহিল । তাম ৰৰণীয়া চুলিখিনি ঘনঘোৰ ক'লাত পৰিণত হ'ল আৰু চাল চলনো সলনি হ'ল। দিনে দিনে বিভিন্ন ৰঙীন শাৰীয়ে আশ্ৰয় পালে জাহানাৰাৰ ক্ষীণ দেহত। প্ৰসাধনৰ নতুন নতুন সমগ্ৰীয়ে জাহানাৰাৰ মুখমণ্ডল স্পৰ্শ কৰিলে লগতে দুয়ো কাণত ওলমি পৰিল লূম-লুমি সোণৰ আ-অলংকাৰ। আধুনিক পৰিৱেশত জাহানাৰাই অতি কম সময়ৰ ভিতৰতে নিজকে খাপ খুৱাই লব পাৰিলে আৰু ভিতৰি ভিতৰি যোগেনৰ প্ৰতিও হৈ পৰিল দুৰ্ব্বল।

যোগেন সুন্দৰ চেহেৰাৰ এজন চফল ডেকা। কথাত মৌবৰষা, স্মাৰ্ট- আৰু সকলো কামতে আগৰণুৱা। পৰোপকাৰী যোগেনক যিয়ে এবাৰ পাইছে দুনাই তেওঁক পাহৰি যোৱা কঠিন। কিয়নো যোগেন এনেকুৱা ল'ৰা যে তেওঁৰ ফুচুৰি কথাবোৰ লোকৰ বাবে চিত্তাকৰ্ষক। নলবাৰী গাঁৱৰ প্ৰখ্যাত সংস্কৃত পণ্ডিত জগন্নাথ শৰ্মাৰ দ্বিতীয় পুত্ৰ যোগেন খেলা-ধূলা, কলা-সংস্কৃতি আৰু সামাজিক কামতো আগবঢ়া । বি-এচ-চিটো পাচ কৰিয়ে এই কোম্পানীৰ চাকৰিত সোমায়।

কিন্তু জাহানাৰাই যোগেনৰ লগত এটা দুটা কথা কৈ তৃপ্তি উপলব্ধি কৰিব ধৰিলে । উঠন ৰূপহী গাভৰু ছোৱালী এজনীয়ে যদি ডেকা এজনৰ লগত কথা পাতিব বিচাৰে, তেতিয়া বাৰু কোনে সহাৰি নিদিব ? ধীৰে ধীৰে চুম্বকে লো আকৰ্ষণ কৰাৰ দৰে জাহানাৰাৰ কথায়ো যোগেনক আকৰ্ষিত কৰিলে ।

ঃ যোগেন দা খাওঁক না।

ঃ আজি কি টিফিন আনিছা ?

ঃ এয়া চাওঁকচোন, বুলি কৈ জাহানাৰাই তেওঁৰ টিফিন বক্সৰ পৰা দুখন ঘীউত ভজা ৰুটি আৰু অলপ খীৰ দেখুৱালে।

ঃ এহ্, এইবোৰ কিয় আনিছা।

ঃ খাওঁক না–কিয় আমি মুছলমান বাবে ঘৃণা কৰে নেকি ?

ঃ নাই নাই–সেইটো নহয় ।

ঃ তেনেহলে........

যোগেন অলপ নিমাত হৈ--- মই দোকানতে খাম গৈ তুমি খাই লোৱা।

ঃ নাই মই যাব নিদিওঁ আজি খাবই লাগিব । জাত যোৱাৰ ভয় কৰিলে নহব দেই।

ঃ আৰে ভাই মই মুছলমান, খৃষ্টিয়ানৰ হাতে পাতে খালে জাত যোৱা হিন্দু নহয়, তুমি জানানে নেজানা ? দিয়া বাৰু.........

০০০ ০০০ ০০০ ০০০

ইতিমধ্যে ঘটনাই মোৰ সলালে - জাহানাৰা আৰু যোগেনৰ কথা বু-বু-বা-বা কৈ ৰাষ্ট্ৰ হৈ পৰিল । অৱশ্যে জাহানাৰাৰ প্ৰস্তাৱক প্ৰত্যাখ্যান কৰিব নোৱাৰি যোগেনে তেওঁৰ লগত চিনেমা চোৱা, পাৰ্কত বহা, কামাখ্যা, বশিষ্ঠ আদিত ঘণ্টা ঘণ্টাই কথা পাতি সময় পাৰ নকৰা নহয় ।

ঃ যোগেনদা মই কপালত ৰঙা ফোটটো ললে কেনেকুৱা দেখি ?

ঃ যেন পূৱা আকাশৰ প্ৰজাতি সূৰুযহে ।

ঃ বেছি কৈছে আপুনি ।

ঃ সঁচাটো সঁচা বুলি কোৱাটো যদি ভুল তেতিয়াহলে প্ৰশ্ন কৰিছা কেলেই ? এই দৰে আনন্দৰ মাজত দিনবোৰ গৈ থাকোতেই জাহানাৰালৈ প্ৰস্তাৱ আহিল বিয়াৰ। গুৱাহাটীৰ হাতীগাওঁৰ বিখ্যাত ঠিকাদাৰ নুৰ মহম্মদে প্ৰস্তাৱ আগবঢ়ালে জাহানাৰাক বিয়া কৰোৱাৰ। জাহানাৰাই কিন্তু কেতিয়াও বিচৰা নাছিল নুমহম্মদক। তেওঁ যে যোগেনকে মনে প্ৰাণে স্বামী বৰণ কৰি থৈছে তেওঁৰ পুৰুষ সুলভ ব্যক্তিত্বৰ বাবে।

জাহানাৰালৈ বিয়াৰ প্ৰস্তাৱ অহাত একো সুস্থীৰ সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰি অফিচ চুটিৰ পিচত জাহানাৰাই সকলো কথা যোগেনক খুলি ক'লে। জাহানাৰাক যোগেনে বিয়া কৰালে তেওঁ হিন্দু ধৰ্মকে গ্ৰহণ কৰিব বুলিও জনাই দিলে। বশিষ্ঠাশ্ৰমক সাক্ষী কৰি জাহানাৰাই কথাখিনি কৈ হুক হুকাই কান্দি যোগেনৰ

কোলাত মূৰটো গুজি দিছিল আৰু এনেতে বশিষ্ঠাশ্ৰমৰ মন্দিৰৰ সন্ধিয়াৰ চাকি-বন্তি দিয়া ঘণ্টাৰ টং টং শব্দ ভাহি আহিছিল। বশিষ্ঠৰ ত্ৰিধাৰা পানীৰ কুলু কুলু সুৰ ধ্বনিৰ লগত সিহঁত দুয়ো ভাৱাবেগত ডুব গৈছিল...... ।

যোগেন, জাহানাৰাৰ কথাৰ বাবে বিপাঙত পৰিল আৰু কি কৰিব উৱাদিহ নোপোৱা হ'ল যোগেনে কিন্তু কেতিয়াও ভৰা নাছিল। যে জাহানাৰাই বিয়াৰ প্ৰস্তাৱ তেওঁক দিব।

অলপ সময় মনে মনে থাকি যোগেনে জাহানাৰাৰ চকু পানীখিনি মচি দিয়ে আৰু লাহে লাহেকৈ মূৰৰ ঘন ক'লা চুলি খিনি লাৰি লাৰি কৈছিল–

"জাহানাৰা তোমাক বিয়া কৰাই হিন্দু কৰি লোৱাৰ সকলোখিনি মানসিক ক্ষমতা মোৰ আছে। কিন্তু তুমিতো জানাই যে মোৰ ওপৰত এজনী বাইদেউ আৰু মোৰ দাদা আছে । তেওঁলোকৰ বিয়া নোহোৱাকৈ মই যে বিয়া পাতিবলৈ অপাৰগ । তুমি যদি অপেক্ষা কৰিব পাৰা তেতিয়াহলে মই তোমাক সঁচাই বিয়া কৰাম। নহলে নুৰৰ লগতে........

জাহানাৰা ফোঁটি সাপৰ দৰে খঙত উচাট মাৰি উঠিল আৰু যোগেনৰ কথাখিনি শুনি কলে–

ঃ নুৰৰ লগতে মই বিয়াত সোমাব লাগে নহয় নে ? আপুনি মোক আপোনাৰ কৰি লোৱাৰ সৎ সাহস আৰু মানসিকতা খিনি নাই কাৰণ, আপুনি এজন নৈষ্ঠিক ব্ৰাহ্মণৰ ল'ৰা এয়াতো।

সাউৎ কৰে যোগেনৰ কোলাৰ পৰা উঠি জাহানাৰা বেগা বেগীকৈ চিটি বাছখনত উঠিবলৈ খোজ ললে আৰু তেতিয়াই প্ৰতিজ্ঞা লৈছিল জাহানাৰাই নাৰীৰ যৌৱনক উপেক্ষা কৰাৰ প্ৰতিশোধ লোৱাৰ ৰাৰে ।

অশ্ৰুসিক্ত নয়নেৰে সিদিনা আঁতৰি আহিছিল জাহানাৰা যোগেনৰ পৰা আৰু পিচদিনাই দিছপুৰৰ পৰা বদলি হৈ পান বজাবলৈ আহিছিল।

০০০ ০০০ ০০০ ০০০

নুৰ মহম্মদৰ লগত জাহানাৰাৰ বিয়া ভালে ভালে সম্পন্নহৈ গ'ল আৰু এবছৰ পিচতে জাহানাৰাৰ কোলালৈ নামি আহিছিল এক দেৱ শিশু।

সম্পূর্ণ তিনি বছৰ জাহানাৰা আৰু যোগেনৰ দেখা দেখি হোৱা নাছিল। যোগেনেও পূৰণা এলবামৰ পাত খিলা লুটিয়াই চোঁৱাৰ হাবিয়াস কৰা নাছিল। কিন্তু জাহানাৰা পুনৰ বদলি হৈ আহিল যোগেন থকা দিচপুৰৰ অফিচটোলৈ যোগেনৰ ওপৰত প্ৰতিশোধ লোৱাৰ মানসেৰে। জাহানাৰাই সুযোগ বিচাৰি আছিল কিদৰে যোগেনক অপদস্ত কৰিব পাৰে আৰু সিদিনা তেওঁৰ টেবুলৰ পৰা ফাইলটো নিবলৈ আহোতেই জাহানাৰাই হৈ-চৈখন লগাই দিয়ে—

যোগেনক অফিচত অনাহকতে অভদ্ৰ ব্যৱহাৰ কৰি ঘৰলৈ উভতি আহি জাহানাৰাই নিজ বিবেকৰ দংশনত বিচনাখনত মূৰটো গুজি বিমৰ্ষ মনে পৰি থাকিল।

নুৰ মহম্মদে জাহানাৰা এইদৰে বিচনাত পৰি থকা দেখি শুধিলে– 'কি হ'ল জান।'

ঃপ্লিজ মোক অলপ মনে মনে থাকিবলৈ দিয়ক।

[ বি দ্ৰঃ-১৯৯১ চনৰ ২২ শ সংখ্যা শাৰদীয় বিশেষ সংখ্যা আলোকত প্ৰকাশিত ]

***

# দংশন

গাওঁখনত হৈ চৈ লাগি পৰিল, যেতিয়া নেকি অবিনাশ মাষ্টৰে গাৱঁৰ আটাইবোৰ মুৰব্বীকে কাণ চুৱালে। অবিনাশ মাষ্টৰ গাওঁ খনত কেইদিনমান নাহিল, ব্যক্তিগত কামত গাঁৱৰ বাহিৰত থাকিব লগা হোৱাত ঘটনাটো শুনাত তেওঁৰ ডেৰি হ'ল। সাধাৰণতে গাওঁখনত কিবা এটা ঘটিলে অবিনাশ মাষ্টৰে কিবা প্ৰকাৰে হলেও গম পায় আৰু যেনেতেনে তেওঁৰ কৰ্ণগোচৰ হয় গৈ। সেয়ে তেওঁৰ কাণত পৰিল গাওঁখনত ঘটা অঘটনটোৰ কথা, তুৰন্তে চাইকেল খনত লাফ্ মাৰি উঠি পালেগৈ ৰূপালীৰ ঘৰ। প্ৰথমতে অবিনাশ মাষ্টৰে যিকোনো কাম কৰাৰ আগতে সকলো খিনি জানি-বুজিলৈহে কামৰ নেতৃত্ব লয় সেইদিনাও ঘটনাটোৰ সবিশেষ জানিবলৈ আৰু কোনে তাইৰ জীৱনলৈ কলংকৰ বোজা জাপি দিলে তাৰ সঠিক খবৰ পোৱাৰ আশাত ৰূপালীৰ ঘৰ পাইছিল। তাৰ পিছত আৰু এক মুহূৰ্ত্তও ৰূপালীৰ ঘৰত অবিনাশ মাষ্টৰে ভৰি নাৰাখি পুনৰ চাইকেল মাৰিলে গাওঁ পঞ্চায়তৰ সভাপতিৰ ঘৰলৈ বুলি।

অবিনাশ মাষ্টৰ মানে– গাওঁখনৰ এজন চৰিত্ৰবান, সমাজকৰ্মী, স্পষ্টবাদী, নি নিৰ্ভীক আৰু ভাল শিক্ষক। নিজৰ পৰিয়ালৰ ভৰণ পোষণৰ বাবে শিক্ষকতা বৃত্তি গ্ৰহণ কৰিলেও তেওঁ বেছি ভাগ সময় গাওঁখনৰ সৰ্বতো প্ৰকাৰ উন্নতিৰ হকে কাম কৰে। সমাজৰ অন্যায়, অবিচাৰত তেওঁ আগতেই জপিয়াই পৰে। গাওঁখনত পঞ্চ মুৰ্ত্তিৰ সৰাজ কৰ্মীৰ দল এটা আছিল। সমাজৰ সকলো ধৰনৰ ঊন্নয়নত তেওঁলোক আছিল নিপুণ একনিষ্ঠ বীৰ যোদ্ধা সৈনিকৰ দৰে পঞ্চমূৰ্ত্তিৰ মৃন্ময়, বিচক আৰু সদানন্দ আজিকালি নিজ পেটৰ দায়ত গাঁৱৰ বাহিৰত থাকি চাকৰি কৰি আছে। কিন্তু অবিনাশ মাষ্টৰ আৰু ৰমাকান্ত গাঁওত থাকে। দুয়ো নিজ ৰোজগাৰ কৰাৰ লগতে সাধ্যানুসাৰে গাঁৱৰ কাম কাজত লাগি দিয়ে।

অবিনাশ মাষ্টৰ আৰু ৰমাকান্তই ৰূপালীৰ ঘটনাটোৰ এটা প্ৰকৃত, সু-বিচাৰ বিচাৰি গাঁৱৰ জ্যেষ্ঠ আৰু কৰ্ণধাৰ সকলৰ ওচৰ চাপি আচল কথাটো ভাঙি পাতি তেওঁলোকৰ কৰ্ণগোচৰ কৰিলে, তেতিয়াই ঘটনাটো যেন গোমা বৰলৰ বাহত শিলগুটি মাৰি দিয়াৰ নিচিনা জিকাৰ খায় উঠিল।

ৰূপালী, উপানন্দ ডেকাৰ বিধবা পত্নী। স্বামীয়ে এটা মাত্ৰ কেঁচুৱাৰ সৈতে ৰূপালীক এই সংসাৰখনত এৰি গলেও তাইক কিন্তু গৰীবিয়ে এৰা দিয়া নাই। এনেয়ে নিঠৰুৱা তাতে আকৌ গৰীবি । ভঙা খেৰী পঁজা এটিত ৰূপালীয়ে কোনোমতে নিশাৰ টোপনিখিনি মাৰিব পাৰে । মৰাপাটৰ শুকান পটাৰ কায়ৰে খেৰী ঘৰটো বেৰি ৰখা আছে যদিও ভঙা ঘৰটোৰ মুধাৰে চন্দ্ৰৰ নিৰ্মল গোহৰ খিনি বিনা কষ্টতে উপভোগ কৰিব পাৰে তাই। সেইখিনিৰ পৰা অৱশ্যে কোনোৱে বঞ্চিত কৰিব পৰা নাই তাইক একমাত্ৰ তাইৰ নিঠৰুৱা আৰু গৰীবিৰ কাৰণে। কিন্তু ৰূপালীৰ কেঁচা যৌৱন আছে। উকা কপালখন দেখিলেও বুজা যায় যে ৰূপালীয়ে কামাসাক্ত পুৰুষৰ চকু অলপ সময় হলেও স্থিৰ কৰি ৰাখিব পৰা তাইৰ যৌৱনৰ মাদকতা ভৰা আকৰ্ষন আছে।

ৰূপালীয়ে কোলাত কেঁচুৱাটি লৈ দুখ মনে তাইৰ পঁজাটিৰ বাৰাণ্ডাখনতে মুৰে কপালে হাত দি বহি থাকে । কেঁচুৱাটি হোৱাৰ দহ দিন পাৰ কৰিলে যদিও তাই কেঁচুৱাটিক এজোৰ গৰম কাপোৰো দিব পৰা নাই। তাতে আকৌ পুহ মহীয়া শীতৰ প্ৰকোপ। তাই ভাবিবকে পৰা নাছিল যে তাইৰ স্বামীৰ মৃত্যুৰ পিছত তাইৰ জীৱনলৈ এনে এটা কলংকৰ বোজা আহিব। বহু চেষ্টা কৰি হলেও তাই তাইৰ ভঙা পঁজাটিত আনৰ কাম বন কৰি খাই দেহাটো শুচি কৰি ৰাখিছিল। দৈব্যৰ কি বিপাক যে পাঁচটি বছৰ বৈধব্যৰ ভাত খোৱাৰ পিচতা তাইক কলংকিত জীৱনে এৰা নিদিলে। নিজে নিজে তাইৰ এনে কু কাৰ্যাৰ কথা ভাবি মৰি যাবৰ মন যায়, কিন্তু তাই সেই নৱজাত শিশুটিৰ কথা ভাবি পুনৰ মনে মনে থাকে।

তাইৰ দুখ দেখিব নোৱাৰি ওচৰ চুবুৰীয়াই দুই এপদ বস্তু আৰু খাদ্য দি ৰূপালীক সহায় কৰিছে যদিও সেয়া পুৱতি নাৰীৰ বাবে যথেষ্ট নাছিল। কিছুমানে আকৌ আহি নানান কটু কথা কৈ যায় –'এই মহাপাপাষ্ঠিনীক মাৰি পেলাৰ লাগে।

'তাইৰ মুখ দেখাই মহাপাপ'

'ঐ তই মৰিব নোৱাৰিলি ?'

'এই নিলাজী ক'ৰবাৰ, তই আৰু মৰিবলৈ বাট বিচাৰি নেপালি। তই গাওঁ খনৰে কলংকিনী। তই ল'ৰা মখা নষ্ট কৰিলি ?" কিছুমানে আকৌ তাইক সাহস দি কয়- "ঐ ৰূপালী তই ল'ৰাটো বচা, ভৱিষ্যতৰ সহায় হ'ব তোৰ ।'

কিমানৰ তাই কথা শুনিব। কাঁকো প্রত্যুত্তৰ নিদি মাথো শিলৰ মূৰ্ত্তিৰ দৰে তাই বহি থাকে তলমুৰ কৰি। প্ৰাণৰ আবেগ আৰু দুখৰ বোজাৰ ভাৰ সহ্য কৰিব নোৱাৰি মাথো তাইৰ সোমাই যোৱা চকু দুটাৰে বাগৰি পৰে দুধাৰি চকুলো.........।

কিন্তু কোনোৱে বিচৰা নাছিল তাইৰ জীৱনলৈ কলংক আনি কোনে দিলে। বিচৰা নাছিল সেয়া কলংকিত নায়ক জনৰ শাস্তিৰ কথা। তাক বিচাৰি উলিওৱাৰ কথা! অৱশ্যে লোকে নজনা নহয় সেই জন মুখা পিন্ধা ভদ্ৰ লোক কোন ? কাৰণ তাক সকলোৱে ভয় কৰে। তাৰ শিক্ষা আছে, মান আছে ধন আছে। যদি সেই কলংকিত নায়ক জনৰ কথা লোকে কয় তেতিয়াহলে হয়তো বাটতে ধৰি কিলোৱাটো ভয় আছে। সেয়েহে সকলোৱে মাথোন ৰূপালীক হে গালি পাৰি যায়.......।

কিন্তু আদৰ্শনিষ্ঠ অবিনাশ মাষ্টৰ আৰু ৰমাকান্তই এৰি দিয়া বিধৰ লোক নহয়। দুয়োজনে বীৰকুছি গাৱঁৰ পঞ্চায়ত মাতিলে ৰূপালীৰ সুবিচাৰৰ বাবে। বীৰকুছি গাঁৱৰ গঞা লোকৰ একমাত্ৰ প্ৰাণ বিন্দু সকলোৰে সমাদৰ আৰু শ্ৰদ্ধাৰ স্থল হ'ল বংশী গোপাল নামঘৰ । এই বংশী গোপাল নামঘৰত বহি গঞা লোক সকলে গাঁও উন্নয়নৰ কথা চিন্তা কৰে। পুহ মহীয়া শীতল শীতৰ গধূলি । ৰাইজ আহি নামঘৰত বহিছে হি। নামঘৰৰ মজিয়াত পাৰি দিয়া ঢাৰি বোৰত সকলো বহি পৰিল আৰু বিচাৰ আৰম্ভ হ'ল। আবনাশ মাষ্টৰ আৰু ৰমাকান্তই পঞ্চায়ত মাতা বাবে ৰাইজে অনিাশ মাষ্টৰকে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিবলৈ কলে। অৱশ্যে ৰমাকান্ত আৰু অবিনাশ মাষ্টৰে ৰূপালীকো পঞ্চায়তলৈ মাতি আনি নামঘৰৰ এচুকত বহুৱাই ৰাখিলে । ৰাইজলৈ অবিনাশ মাষ্টৰে নমস্কাৰ এটি জনাই ক'ব ধৰিলে–

“ৰাইজ আজি আমাৰ গাওঁ খনৰ ভিতৰত কি অঘটন ঘটিব ধৰিছে আৰু ঘটি আছে তাক সকলোৱে জানে। কিন্তু আজিকালি সমাজখনত ৰাইজে চকু থাকিও চকু নথকাৰ ভাওঁ ধৰিব ধৰিছে? আমাৰ কথা আজো ককাহঁতে সংগঠন কৰি যোৱা এই বৃহৎ বীৰকুছি গাৱঁৰ সমাজ গাঠনিটোত যেন ধীৰে ধীৰে ঘূণে ধৰিছে । আগৰ পঞ্চায়ত বিলাকত বেছি লিখা-পঢ়া লোক নাছিল সঁচা, কিন্তু সমাজিক গাঠনিটো আছিল যথেষ্ট সবল আৰু বিচাৰ বিলাকো আছিল নিকা। আৰু আজি আমি আটায়ে উচ্চ শিক্ষাৰে শিক্ষিত হৈয়ো যেন সমাজ খন ভালদৰে বান্ধি ৰাখিব পৰা নাই। ৰাইজ মোক নোদোষিব, মোৰ মনৰ মাজত থকা ক্ষোভ খিনিক ধৰি ৰাখিব নোৱাৰিহে

কথাখিনি কৈ পেলালোঁ। আৰু ৰাইজ শুনক, আমি স্কুলত লৰা-ছোৱালী পঢ়িবলৈ পঠাইছো, কিন্তু ল'ৰা-ছোৱালী বিলাকে পঢ়িছে নে নাই, মাষ্টৰ সকলে পঢ়ুৱাইছেনে নাই, এইবোৰত জানো আমাৰ চকু দিয়াৰ দৰ্কাৰ নাই । দিনে দিনে আমাৰ স্কুলৰ ৰিজাল্ট বেয়া হব ধৰিছে ? ছাত্ৰই শিক্ষকৰ মান ৰাখিব নেজানে । অৱশ্যে জানিবই বা কেনেকৈ যদি শিক্ষকে ছাত্ৰৰ লগত চাধা চিগাৰেট খায়। শিক্ষকে যদি মদ খায় স্কুললৈ পাঠ দান কৰিব আহে তেতিয়া হলে জানো আমাৰ ভাল হ'ব? আমাৰ যদি বংশোদ্ভৱ সকলক সুশিক্ষাৰে শিক্ষিত কৰিব নোৱাৰো তেতিয়া হলে সমাজ ৰসাতলে যাবগৈ এইবোৰ কথা জানিও আমি নিৰৱতাকে অৱলম্বন কৰি আছোহঁক। এয়া জানো ভাল কাম হৈছে...... ।

আৰু আজি গৰীবিৰ চেগ লৈ নিঠৰুৱা বিধবা ৰূপালীৰ ৰূপৰ সোৱাদ লোৱা লোকৰো অভাৱ নহ'ল। ডেকা যুৱকৰ বাহু বন্ধনত ৰূপালী হৈ পৰিল কলংকিতা আৰু অবৈধ সন্তানৰ মাতৃ। তাৰ জানো সুবিচাৰ কৰা আমাৰ কৰ্ত্তব্য নহয়। নহ'ল কাইলৈ ভায়েক ভনীয়েও ব্যভিচাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰা হ'ব । গতিকে ৰাইজ আপোনালোকে ভাবি চাওঁক......।

এটা দীঘলীয়া তপত হুমুনিয়াহ এৰি দি অবিনাশ মাষ্টৰে আবেগেৰে অভিভূত হৈ কৈ গৈছিল ।

পঞ্চায়ত এটা গুণগুণী উঠিল মৌমাখিৰ মধু গুঞ্জনৰ দৰে। হোজা খেতিয়ক বিলাকে অবিনাশ মাষ্টৰৰ কথা খিনি শুনি ইকাণ সিকাণ কোৱা কুঁই কৰিব ধৰিলে – সাঁচা ইয়াৰ এটা সুবিচাৰ লাগে।”

অৰবিন্দ ঠাকুৰীয়াই থিয় হৈ কলে– এতিয়া আমি আচল কথাটো গোচৰীয়া পক্ষৰ পৰা ৰূপালী ডেকাৰ মুখৰ পৰাই শুনা ভাল।" বাকী ৰাইজেও হয় হয় বুলি কলে। এটা হৈ চৈৰ শব্দ বংশীগোপাল নামঘৰৰ চৌপাশ বিয়পি পৰিল। তেতিয়া ধীৰে ধীৰে নিশা গভীৰ হৈ আহিছিল। বংশীগোপাল নামঘৰৰ টিন পাতৰ পৰা পুহমহীয়া ঠাণ্ডাৰ নিয়ৰৰ টোপাল টোপাটোপে মাটিত পৰি আছিল। বাহিৰত নামঘৰৰ সন্মুখতে থকা বকুল গছজোপা কুঁৱলীৰে আৱৰি ধৰিছিল। শুক্ল পক্ষৰ চতুৰ্থীৰ জোনটোৰ সেঁতা পোহৰত কুঁৱলীয়ে আগুৰি ধৰা বকুল জোপাক এনেহেন লাগিছিল যেন মূৰত ওৰণী লৈ এগৰাকী নিঠৰুৱা তিৰোতাই আশ্ৰয় বিচাৰিছে ঠাণ্ডাৰ পৰা হাত সাৰিবলৈ ।

নিৰক্ষৰা ৰূপালীয়ে কোলাত কেঁচুৱাটি লৈ থিয় হৈ ফটা চিটা মেখেলা চাদৰ জোৰ টানি টুনি লৈ তাইৰ শৰীৰটো আৱৰি ললে কোনোমতে আৰু কব ধৰিলে........

--- মোৰ স্বামীৰ মৃত্যুৰ পিচত গোবিন্দ মোৰ ঘৰলৈ আহিব ধৰে। একে বংশৰে যুৱক সম্বন্ধত দেউৰ হয়। ইটো সিটো দি মোক সহায় কৰে। স্বামীৰ মৃত্যুৰ পাঁচ বছৰ হৈ গ'ল । এইদৰে দুই এটা বস্তু দি গাবিন্দই মোক সহায় কৰাত মোৰ দুখ কিছু লাঘৱ হৈছিল। এদিন দুদিনকৈ দিনবোৰ গৈ থাকিল আৰু গোবিন্দও মোৰ কিছু ওচৰ চাপি আহিল। পিচত মোৰ আৰু বুজিবলৈ বাকী নাথাকিল। গোবিন্দই যে মোৰ পৰা কিবা এটা বিচাৰিছে। গোবিন্দক আমাৰ ঘৰলৈ আহিবলৈ মানা কৰা স্বত্তেও আকৌ আহি থাকিল আৰু মোৰ নিঠৰুৱাৰ সুযোগ লৈ মোৰ কেঁচা মাংসৰ সোৱাদ বিচাৰি এদিন অবাঞ্চিত........। পাঁচ বছৰ ধৰি বৈধবাৰ ভাত খায় নিজ সতীত্ব বজাই ৰাখিও সিদিনা মই গোবিন্দ পাশৱীক বাহু বন্ধনৰ পৰা নিজক ৰক্ষা কৰিব নোৱাৰি কেৱল মাখোন চকুলোহে টুকিছিলো......। পিচত মোক বহুতো ভয় দেখুৱাইছিল আনে যাতে এই কথা গম নেপায়। তাৰ পিচত গোবিন্দ তেজপিয়া বাঘৰ দৰে মোৰ ঘৰলৈ আহিলে লুলুপ দৃষ্টিৰে চাই কামনাৰ জ্বলা জুইকুৰা নুমাবলৈ । বহুবাৰ বাধা কৰাৰ পিচতো আমাৰ ঘৰলৈ আহি এইদৰে মোৰ সৰ্বনাশ কৰিলে........।

ৰূপালীৰ কথা শেষ নৌহতেই ৰাইজৰ পৰা বাগৰি আহিল “সেই মহাপাপীক টানি আনিব লাগে টানি আনিব লাগে” বুলি গোবিন্দক চিনাক্ত কৰা হ'ল আৰু তেওঁক ৰাইজৰ মাজলৈ মাতি আনিব লাগে বুলি ৰাইজে সিদ্ধান্ত ললে ।

ৰাইজৰ প্ৰতিনিধি গ'ল যদিও সিদিনা গোবিন্দ বিছনাৰ পৰা নুঠিল। গোবিন্দ পঞ্চায়তলৈ নহাত ৰাইজ আৰু বেছি গৰম হৈ পৰিল। ইতিমধ্যে সিদিনা ৰূপালীৰ বিচাৰৰ তাতে সমাপ্তি ঘটিল আৰু ৰাইজ ঘৰাঘৰি গুচি গ'লগৈ।

পিচদিনা গোবিন্দক পঞ্চায়তৰ বিচাৰলৈ লৈ অহা হ'ল আৰু তাৰ বক্তব্য শুনিব বিচৰাত নিজকে দোষ মুক্ত কৰিবলৈ কলে যদিও ৰাইজে গোবিন্দকে দোষী সাব্যস্ত কৰিলে ।

গাঁৱৰ কিছুমানে কলে– গোবিন্দ ৰূপালীৰ বিয়া পাতি দিব লাগে।

কিছুমানে আকৌ কলে– বিধৱা বিবাহ অসম্ভৱ। শেষত যুৰিয়ে গোবিন্দক টকাৰে দণ্ডীত কৰিলে৷

গোবিন্দক দোষী কৰি দণ্ড লোৱাৰ পিচত ৰাইজ ঘৰাঘাৰ গুচি গ'ল। কিন্তু অবিনাশ মাষ্টৰ বংশী গোপাল নামঘৰৰ ডাঙৰ শালৰ খুটা এটাত ভেজা দি চিন্তা কৰি থাকিল–কি হ'ল ৰূপালীৰ বিচাৰ ? টকাই জানো গোবিন্দক পাপ মুক্ত কৰিব পাৰিব ? ৰূপালীৰ কলংক জানো আতৰি যাব ? যদি সচাকৈয়ে টকা দণ্ড কৰিলেই সমাজ নিকা হোৱাৰ কথা ভাবিছে কাইলৈ দেখান পুনৰ গাওঁখনত ব্যাভিচাৰ হ'ব। টকা দণ্ড নকৰি যদি গোবিন্দ ৰূপালীৰ বিয়া পাতি দিলেহেতেন, তেতিয়াহলে সমাজখন কিছু শুদ্ধ হোৱাৰ পথ থাকিলহেঁতেন। যেতিয়া ২৫ বছৰীয়া যুৱকৰ দিঙিত লাগিলহেঁতেন ৩০ বছৰীয়া বিধবা ভিৰোতা, তেতিয়া ভয়ৰ ভাৱ এটা থাকিলহেঁতেন আৰু ৰূপালীৰো আশ্ৰয় হ'লহেঁতেন। কিন্তু এতিয়া......। অবিনাশ মাষ্টৰ হতাশ হৈ কেৱল বংশীগোপাল নামঘৰৰ আসন খনলৈ সজল নয়নে চাই থাকিল.......।

বল- এয়ে আমাৰ সমাজ ব্যৱস্থা সমাজ সলনি কৰিবলৈ আৰু কিছু বছৰ সময় লাগিব।”

ৰমাকান্তই অবিনাশ মাষ্টৰৰ হাতত ধৰি নামঘৰৰ পৰা নিজ ঘৰলৈ লৈ গ'ল।

অবিনাশ মাষ্টৰে আৰু ৰূপালীৰ পিনে চাব নোৱাৰিলে।

বিঃদ্ৰঃ [ ১৯৮৮ চনৰ বিশেষ দুৰ্গাপূজা সংখ্যা আলোকত প্ৰকাশিত ]

***

# তপেশ্বৰ মাষ্টৰ আৰু বিহুতলি

গাঁওখনলৈ অথন্তৰ মাতি অনাৰ মূলতে তপেশ্বৰ মাষ্টৰ। নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে তপেশ্বৰ মাষ্টৰে হোজা লোকখিনিক লৈ গাওঁখনত তোলপাৰ লগাই আছে, সকলোৰে মুখে মুখে মাথোন একেষাৰ কথা।

এই সোণবৰী গাওঁখনৰ এটা নিজস্ব ইতিহাস আছে। মহাপুৰুষ মাধৱদেৱৰ বাক্যামৃত পৰাত তেওঁৰ প্ৰিয় শিষ্য লক্ষীকান্ত আতৈৰ নাতিয়েকে মহাপুৰুষ জনাৰ বাক্য ৰাখিবলৈ সৌতাহানি খনতে এই গাঁৱত কীৰ্ত্তন ঘৰ এটা সাজি গোটেই অঞ্চলটোত তেৰাৰ হৰি ধ্বনিৰ অমিয়া সুৰেৰে ভক্তি মাৰ্গৰ নিদৰ্শন দেখুওৱাই সমাজখন একেটা সুৰতে বান্ধি থৈ গৈছিল। সৌ তাহানি দিনৰে পৰা এই সোণবৰী গাঁৱত একেটা সুৰতে গাওঁবাসীয়ে কীৰ্ত্তন ঘৰত নাম কীৰ্ত্তন কৰি ঐক্য শান্তি সম্প্ৰীতিৰে বাস কৰি আহিছে মহা সুখে মহা আনন্দে। কাৰো মনত দুখ নাই কাৰো মনত বিষাদৰ ছাঁ নাই যেন একেখন মৌ বাহত এটা ৰাণীকে লৈ বাহ বান্ধি আছে। ৰাতিৰাম পাঠকৰ তিনি সন্ধ্যা নাম প্ৰসঙ্গৰ সুমধুৰ ধ্বনিয়ে গোটেই গাওঁবাসীকে আনন্দিত কৰিছিল। এইহেন পৰিৱেশত থকা গাঁওবাসীক তপেশ্বৰ মাষ্টৰৰ বিষ মন্ত্ৰই সকলো যেন ছাৰখাৰ কৰি পেলাব ওলাইছে।

হৰিকান্ত মহন্তই ৰুগ্ন শয্যাত পৰিয়ে তপেশ্বৰ মাষ্টৰৰ গাঁও ভঙা বুদ্ধিৰ কথা শুনি আছিল। তপেশ্বৰ মাষ্টৰৰ বুদ্ধি মতে যে সত্ৰৰ চোতালত এইবাৰ দুখন বিহুতলি হ'ব তাৰে ষড়যন্ত্ৰৰ কথাও হৰিকান্ত মহন্তই নজনাকৈ থকা নাছিল আৰু ৰোগ শয্যাত পৰিয়ে তেওঁ আহত জতায়ুৰ দৰে চৎফটাই আছিল।

হৰিকান্ত মহন্ত গুৰুসকলৰ বংশধৰ আৰু সেয়েহে এই সত্ৰৰ ঐতিহ্য ৰক্ষা কৰাত তেওঁ বংশানুক্ৰমে চেষ্টা কৰি আহিছে। সমাজত হৰিকান্ত মহন্তই এষাৰ কথা কলে বাকীবোৰ গাৱলীয়া লোকে দুনাই না বুলি কোৱাৰ সাহস নাই। কিয়নো হৰিকান্ত মহন্তই গাঁওখনলৈ অধুনিক সমাজৰ পোহৰ কঢ়িয়াই আনিছে । বহুলোকৰ মুখত ভাত দি থৈছে, সমাজ আৰু ব্যক্তিৰ অহিতকৰ কাম কাহানিও কৰা নাই, পাৰিলে নিজৰ সৰ্ব্বস্ব ত্যাগ কৰিও ৰাইজৰ উপকাৰহে কৰিছে। গতিকে আজানুলম্বিত এই গৰাকী লোকৰ বিৰুদ্ধে মাত মতাৰ সাহস গাঁওবাসীৰ নাই । তেওঁ শয্যাসায়ী হৈ থকাৰ চেগ বুজিয়ে হবলা তপেশ্বৰ মাষ্টৰে নিজৰ আসন লোৱাৰ

হেপাহত গাওঁখনত বিষ বাষ্প বিয়পাই দি গাওঁখনৰ পৰিৱেশটোকে নষ্ট কৰি পেলাইছে।

তপেশ্বৰ মাষ্টৰ মহন্ত সম্প্ৰদায়ৰ ঘোৰ বিৰোধী, কিয়নো কীৰ্ত্তন ঘৰত আৰু সমাজত মহন্ত সম্প্ৰদায়ৰ এক সুকীয়া আসন আছে। সেই সুকীয়া আসন লাভ কৰাটো তেওঁ যিহেতু মহন্ত সম্প্ৰদায়ৰ নহয় আৰু শিক্ষা দিক্ষাইও আগবঢ়া সেই কাৰ্যটো একেবাৰে সহ্য কৰিব নোৱাৰে। মনৰ মাজত তুহঁ জুইকুৰা উমি উমি জ্বলি আছিল তপেশ্বৰ মাষ্টৰৰ। নিৰক্ষৰ গঞাঁ লোক কিছুমানৰ মনত এনেদৰে তেওঁ সুমাই দিলে যে আমি সত্ৰ সংঘত নাই আৰু মহাপুৰুষৰ ধৰ্মত পিতৃ-মাতৃ মৰিলেও মুণ্ডন কৰিব লাগে বুলি উল্লেখ নাই। গতিকে আমি আমাৰ পিতৃ-মাতৃ মৰিলেও মূৰৰ চুলি নুখুৰালেও হ'ব। তপেশ্বৰ মাষ্টৰৰ মাতৃ বিয়োগৰ পিচত মুৰৰ চুলি নেকাটিল আৰু মুণ্ডনো নকৰিলে।

গাঁওবাসীয়ে কিন্তু তপেশ্বৰ মাষ্টৰৰ এনে কাৰ্য্য সহজ ভাবে ল'ব নোৱাৰিলে। পিতৃ মাতৃৰ বাবে শোক প্ৰকাশ কৰিয়ে হওঁক বা লোকাচাৰ মতেই হওঁক যুগ যুগান্তৰ ধৰি চলি অহা ৰীতিনীতি সোণবৰী গাওঁবাসীয়ে ত্যাগ কৰিব নোৱাৰে সেয়ে অপেশ্বৰৰ পৰা বাকীবোৰ মানুহ আলেঙে আলেঙে চলিব ধৰিলে।

"বহাগ বিহুৰ ৰাতিপুৱা। বহাগী আকাশ, গাঁৱৰ সত্ৰৰ কীৰ্ত্তন ঘৰৰ পৰা ব্ৰহ্মপুৱাতে ভাহি আইছিল "তেজৰে কমলা পতি, পৰভাত নিন্দ" বোলা বৰগীতৰ মধুৰ অমিয়া সুৰ আৰু সেই অমিয়া সুৰত গাওঁবাসী সাৰ পাই উঠছিল। হৰিকান্ত মহন্তই ৰুগ্ন পাতিত বহি কাণখন থিয় কৰি শুনিছিল সেই মধুৰ বৰগীতৰ সুৰটি আৰু মনতে তেওঁ ভাবিছিল হে প্ৰভু নতুন বছৰে যেন গাঁওবাসীলৈ শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনে।

বিহুৰ বাবে গাওঁবাসীৰ তৎ নাইকিয়া। বিহু ঢোলৰ শব্দত আৰু লাউডস্পিকাৰৰ বিহু গীতৰ ধ্বনিত গোটেই গাঁওখন কিৰিলি পাৰি উঠিল। জ্যোতি কলা সংঘই বিহু পাতিবলৈ সত্ৰৰ চোতালত ভালদৰে ৰমক্-জমক্ কৰি ৰভা সাজি উলিয়াইছে। ৰাতিপুৱা ৯ বজাত গাঁওখনৰ বয়োজেষ্ঠ নৰপতি মহন্তৰ দ্বাৰা পতাকা উত্তোলনৰ প্ৰস্তুতি চলি থাকোতেই গাঁওখনত হৈ চৈ লাগি পৰিল।

তপেশ্বৰ মাষ্টৰৰ দলটোৱে সত্ৰৰ চোতালত কীৰ্তিৰাম কেওঁতৰ দ্বাৰা বিহু পতাকা উত্তোলন কৰিবলৈ আন এখন পতাকাৰ ব্যৱস্থা কৰি ধ্বজদণ্ড এডাল আৰু

কেইটামান ডেকা ল'ৰাক লৈ আহিল। তপেশ্বৰ মাষ্টৰৰ কাৰ্য্য দেখি বাকীবোৰ অগ্নি শৰ্মা হৈ পৰিল আৰু সত্ৰৰ চোতালত তেওঁলোকক দ্বিতীয়খন বিহু পাতিব নিদিয়ে। দুয়ো দলৰ মাজত থৈয়া-নৈয়া লাগি পৰিল।

এনেতে হৰিকান্ত মহন্তৰ নাতি বিপুলে তপেশ্বৰ মাষ্টৰৰ সকলো কাহিনী তেওঁক কোৱাত নৰিয়া পাতিত পৰি থাকিব নোৱাৰি হাতত লাখুটিডাল লৈ বিপুলৰ হাতত ধৰি ধৰি বিহুতলি পালে গৈ তেওঁ। হৰিকান্ত মহন্ত বিহুতলি পোৱাৰ লগে লগে ডেকা চামে তেওঁক আদৰি লৈ গ'ল।

ইতিমধ্যে তপেশ্বৰ মাষ্টৰে সিহঁতৰ বিহু পতাকাখন উত্তোলন কৰিবলৈ যো-জা কৰোতে তপেশ্বৰ মাষ্টৰক মাতি আনিব দিলে। মাষ্টৰ আহিবলৈ হেহু-নেহু কৰিছিল যদিও বহু ভাবিচিন্তি জ্যোতি কলা সংঘৰ পতাকা উত্তোলন কৰা ঠাইলৈ আহিল আৰু হৰিকান্ত মহন্তৰ কাষত পাৰি থোৱা চকি খনতে বহি পৰিল। বাকী বিহু বলীয়া ল'ৰা-চোৱালী বুঢ়া-মেঠাই আটায়ে তপেশ্বৰ মাষ্টৰ আৰু মহন্তক আগুৰি ধৰিলে আৰু হৰিকান্ত মহন্তই কলে- "হেৰ তপেশ্বৰ তোমাৰ কাৰু কাৰ্য্যবোৰৰ কথা মই বিচনাত পৰিয়ে শুনি আছোঁ – মহাপুৰুষ জনাই এই সত্ৰবোৰ সমাজৰ শান্তি বিনষ্ট কৰিবলৈ সজা নাছিল। সমাজ গঠন কৰিবলৈ সাজিছিল। তোমালোক উচ্চ শিক্ষিত হৈ এইবোৰ কেলেই কৰিছা। এই কীৰ্ত্তন ঘৰৰ সন্মুখত দ্বিতীয়খন বিহুতলি মই জীয়াই থকালৈকে হ'ব নিদিম। তুমি ইয়াত সহযোগ কৰা নহলে বিপদ হ'ব।

'বিপদ কিহৰ বিপদ' বুলি তেওঁ জিকাৰ মাৰি উঠিল।

এনেতে হৰিকান্ত মহন্তই হাতখনত থাপ মাৰি ধৰিলে আৰু কলে – তুমিয়ে এই বিহু পতাকা উত্তোলন কৰিব লাগিব। সমাজখন এক কৰি ৰাখিব লাগিব।

ঃ নাই, মই সত্ৰ সংঘত নাই, মই পতাকা নুতুলোঁ। আমি সত্ৰৰ এভাগ নিম, গতিকে আমাৰ পতাকা আমিহে তুলিম।

কথাষাৰ শুনাৰ লগে লগে হৰিকান্ত মহন্ত হাতত লাখুটি ডাল লৈ থৰ থৰকৈ কঁপি কব ধৰিলে, 'হেৰ পাপিষ্ঠ, সত্ৰ ভগাব আহিছ'। আহ এই সত্ৰত মূৰ থৈ ক' তই সত্ৰ সাজিছিলি, যে সত্ৰৰ মাটিত বহি এনে কথা ক'ব পাৰিছ, মহাপুৰুষীয়া ধৰ্মত জানো ইয়াকে শিকিলি'। ধিক্ তোৰ উচ্চ শিক্ষা, ধিক্ তোৰ জীৱন, বোল হৰি ধ্বনি

দে এই পাপিষ্ঠ অধঃ পতিত হওঁক; অধঃ পতিত হওঁক বুলি কৈ বুঢ়া হৰিকান্ত অচেতন হৈ কীৰ্ত্তন ঘৰৰ পিৰালিত বাগৰি পৰিল।

বুঢ়া অচেতন হৈ মাটিত বাগৰি পৰাত গাঁৱৰ ল'ৰা বুঢ়াই সত্ৰৰ বিহুতলি ভৰিল। কান্দোনৰ ৰোল গোটেই গাওঁখনতে বিয়পি পৰিল। বুঢ়াৰ মুখেৰে ফেন ওলাব ধৰিলে আৰু তেওঁৰ যোৱা-থোৱা অৱস্থা দেখি তপেশ্বৰ মাষ্টৰে ভাবিলে হৰিকান্ত মহন্তৰ মৃত্যুৰ কাৰণ তেওঁ হোৱাৰ ভয়তে লাহে লাহে বুঢ়াৰ কাষৰ পৰা আন্তৰি গৈ জ্যোতি কলা সংঘৰ বিহু পতাকাখন আঁৰি দিলে। সকলোৱে বুঢ়াৰ আৰোগ্য কামনা কৰি কীৰ্ত্তন ঘৰত আঠু ললে আৰু বিপুলে কান্দি কান্দি কলে–

"আতা তপেশ্বৰ মাষ্টৰে আমাৰ বিহু পতাকা তুলিলে।"

হৰিকান্ত মহন্তই সেঁহাই উঠিল, হে প্ৰভু সকলোকে সুমতি দিয়া।

***

# পাঁচ পইচাৰ পৃথিৱী

মহানগৰীখনত দিনে দিনে কোলাহল বৃদ্ধি হৈ আহিল। কল-কাৰখানা, গাড়ী-মটৰৰ আৱাজটো আছেই আনহাতে সভা-সমিতিৰো আয়োজনো কম নহয় চকুৰ পচাৰতে গুৱাহাটীখন জনাৰাণ্য হৈ পৰিল, যি ঠাইত আগতে বাঘ ভালুক ওলাইছিল সি হৈ পৰিল মানুহেই মানুহ। গতিকে জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে কোলাহলো বেছি হোৱাটো তেনেই স্বাভাৱিক।

নগৰ চহৰত অলপ ডাঙৰকৈ চিঞৰ এটা মাৰিলেই, মানুহেই মানুহ গোট খোৱা দস্তুৰ, অলপ হতাহতি হলে বগা ভাতত কাউৰী উৰি আহি পৰাৰ দৰে মানুহ তৎক্ষণাত ভৰি পৰে। অৱশ্যে ডাঙৰ ডাঙৰ মহানগৰীবোৰত তেনেকৈ ভৰি নপৰে, কিয়নো তেনেকুৱা ঘটনা সদায়ে ঘটি থাকে আৰু চাবলৈও তেওঁলোকৰ সময় নাই। কিন্তু আমাৰ এই গুৱাহাটীত অলপ ব্যতিক্ৰম, প্ৰায় ঠাইতে মানুহৰ জুম দেখা যায়। কোনোৱে চিঞৰি চিঞৰি বনৌষধি দ্ৰব্য বিক্ৰী কৰিছে, কোনোৱে বা সাপৰ খেলা দেখুৱাই মানুহ গোট খোৱাইছে দুপইচা উপাৰ্জনৰ হেতুকে কোনোৱে বা আকৌ বান্দৰৰ খেলা দেখুৱাইয়ো মানুহৰ জুম বন্ধাইছে, এইদৰে অনেক ঘটনা মহানগৰীখনৰ বুকুত অহৰ্নিশে ঘটিয়ে আছে।

ভোগালী বিহুৰ উৰুকাৰ শীতল আবেলি। অসমীয়া ৰাইজৰ উৰুকাৰ ‘খানা’ৰ বজাৰ-সমাৰ কৰাৰ আনন্দ মুখৰ ব্যস্ততা। মহাত্মা গান্ধী পথ ছোৱাত পিপৰাৰ নিচিনা লানি নিছিগা গাড়ী-মটৰ, ৰিক্সা, ঠেলা আদি আৰু পথাচাৰী লোকৰ ভীৰ। কেৱল মানুহবোৰ নিজৰ কৰ্ত্তব্যৰ খাতিৰত দৌৰিছেহে দৌৰিছে, কাৰো যেন আহৰি নাই আনক চাবলৈ। ময়ো নিজৰ অফিচৰ পৰা এই মহাত্মা গন্ধী পথছোৱাৰে আগবাঢ়ি থাকোতেই চকুত পৰিল মহাবীৰ পাৰ্কৰ জুমটোলৈ। অৱশ্যে মানুহৰ জুমাজুমি দেখিলে মই আগবাঢ়ি গৈ কিনো ঘটনা ঘটিল তাকে চোৱা আৰু জানি লোৱাটো মোৰ এটা বদ্ অভ্যাস আছে। ভগৱান মহাবীৰ পাৰ্কখনত গোটখোৱা লোক খিনি দেখি মনটোক দমাব নোৱাৰি আগবাঢ়িলো জুমটোৰ ফালে।

পুহমহীয়া ঠাণ্ডাৰ অন্তিম দিন। ঠেৰেঙা শীত, তাতে আকৌ সেৰ সেৰীয়া বতাহ বলি আছিল। ব্ৰহ্মপুত্ৰৰ পৰা বৈ অহা এই শীতল বতাহখিনিৰ বাবে ঠাণ্ডা এনেহেন লাগিছিল যেন কটা ঘাঁত খাৰহে ঢালি দিছে। পশ্চিম আকাশত উত্তাপ

বিহীন সূৰ্য্যৰ হেঙুলী আভা সিচৰিত হৈ পৰিছিল চৌপাশে, কিয়নো সূৰ্য্য পাতত পৰিবলৈ আৰু বেছি সময় নাছিল।

মানুহৰ ভীৰ ঠেলি আগবাঢ়িলোঁ কিনো তাত ঘটিল চাবলৈ। মানুহবোৰ আহিছে আৰু গৈ আছে। মানুহবোৰে কেৱল ছিঃ ছিঃ কৰি দুখ প্ৰকাশ কৰাহে মোৰ কাণত পৰিছিল।

ঃ হেৰি চাওঁ মোক অলপ যাবলৈ দিয়কচোন ?

কোনোৱে মোৰ কথা শুনা নাছিল। প্ৰতিজনৰ এটাই মাত্ৰ উৎসুকতা, কিনো ঘটনা ঘটিল জানিবলৈ। ভীৰ ঠেলি যাব পৰা নাছিলো। উপায় নেপাই দিলো ডাঙৰকৈ চিঞৰি –

ঃ হেয় ! কি চাই আছা ইয়াত। হাত দুখন উজাল মাৰি দিলো। চিঞৰ শুনি মোক ৰাস্তাটো এৰি দিলে। আগবাঢ়ি গৈ থাকিলো। আগতেই কৈছো নহয়, মহানগৰীত ডাঙৰকৈ আতাহ পাৰি কিবা এষাৰ কলেই মানুহ গোট খায় যায় আৰু কিবা সাংঘাতিক ঘটনা ঘটিল বুলি ভাবে। মোৰ চিঞৰ শুনি আৰু মানুহজন দেখি ‘এখেতক যাবলৈ দিয়ক, এখেতক যাবলৈ দিয়ক’ বুলি ৰাস্তাটো এৰি দিলে।

গহীন ভাবে ঘটনাৰ কেন্দ্ৰস্থললৈ আগবাঢ়ি থাকিলো। ঘটনাস্থলী পাই মই হতবাক। জুমটোৰ দুই এজনক সুধিলো যদিও কাৰো পৰাই সদুত্তৰ নাপালোঁ, কোনোৱেই একো কব নোৱাৰিলে। এই আপদীয়া ঘটনাটো ঘটিল কেনেকৈ। বুকুখন যেন মোৰ গোট মাৰি বৰফ হৈ পৰিছিল। এনেতে দূৰৰ পৰা নৰেণে মোক দেখি মানুহৰ ভীৰ ঠেলি উধাতু খাই মোৰ কাষ পালে আৰু কলে –

ঃ হাজৰিকা দা আপুনি।

ঃ অঃ নৰেণ, কোৱাচোন ঘটনাটো কেনেকৈ ঘটিল।

ঃ বুইছে হাজৰিকা দা একেবাৰে সামান্য কথাৰ বাবেই এই অঘটনটো ঘটিল। সিহঁত দুয়োজনেই খেলি আছিল। ভিক্ষাৰী ল’ৰা। এই মহাবীৰ পাৰ্কত খেলি থাকোতেই দুয়ো এটা পইচা পালে, তাকে লৈ দুয়োজনৰ টনা আজোৰা লাগিল। মানুহ জমা হল সিহঁতৰ যুদ্ধ দেখি। কিছুমান মানুহে মাৰা মাৰি লগাত উৎসাহ দিলে দুয়োকে। দুয়োজনৰে উৎসাহ বাঢ়ি গৈ থাকিল মানুহ বিলাকে ফুৰ্ত্তি পালে। দুয়োৰে

বগৰা বাগৰি লাগি থাকোতেই এজনে আন এজনৰ গুপ্তাংগত গোৰ মাৰি দিলে – সিজনেও দিলে। ফলত দুয়ো মাটিত বাগৰি পৰিল আৰু হাতৰ পৰা চিটিকি পৰিল এটি মাত্র পাঁচ পইচা। ঘটনা ইমানেই –

এনেতে ক্রিং ক্রিং কৈ কলিং বেলটো বাজি উঠিল। উঠি গৈ দেখো যে –ৰমা বৰুৱা

ঃ ঘৰত কোনো নাই নেকি ?

ঃ মাকৰ গৰৈলৈ গ'ল।

ঃ কিবা লিখি আছিল হবলা ?

ঃ বহক গল্পৰ দুই এটা প্লট বনাই আছিলো – ৰব দেই বৰুৱা মই শেষ বাক্যটি লিখি থওঁ। ..........এবুকু ৰেদনা লৈ লাহে লাহে মই জুমটোৰ পৰা আঁতৰি গ'লো মাথোন আহত জতায়ুৰ দৰে। দেখো যে পশ্চিম আকাশত শৰাইঘাটত সূৰ্য্যটো ডুব যাব ধৰিছে।

***

# পৰিৱৰ্ত্তন

ঃ হেৰি আমি নযোৱাই ভাল নেকি ?

ঃ কিয় ।

ঃ জানোছা আমি গলে গাঁও খনত আকৌ অথন্তৰ লাগে । সমাজখনৰ মানুহবোৰৰ মন জানো সলনি হৈছে । শুভ কাৰ্য্যত বিঘিনী আনি দিলে কথাটো ভাল নহ'ব নেকি ? জ্যোৎস্নাই বিদ্যুৎক কথাখিনি ভালদৰেই কৈ গৈছিল।

হলধৰ গোস্বামী আৰু বিদ্যুৎ বাল্য বন্ধু। একেলগে পঢ়া শুনা কৰাৰ উপৰিও সমাজ খনলৈ আধুনিক চিন্তাধাৰা আনিবলৈ দুয়ো স্কুলীয়া জীৱনৰে পৰা চিন্তা কৰি আহিছিল । বীৰকুছি গাঁৱৰ হলধৰ বিদ্যুৎ এক অভীন্ন হৃদয় আৰু বিপ্লৱী যুৱক । সমাজৰ আউপুৰণি চিন্তাধাৰাৰ সদায় সিহঁত আছিল বিৰোধী আৰু সেইবাবে বিদ্যুতে জাহানাৰাক বিয়া কৰাই জ্যোৎস্না কৰি লৈছিল। জাহানাৰাক বিদ্যুতে বিয়া কৰাই জ্যোৎস্না কৰাৰ সিংহ ভাগ দায়িত্ব লৈছিল হলধৰ গোস্বামীয়ে ।

জীৱিকাৰ বাবে এটা সময়ত দুয়ো থাকে গাৱঁৰ বাহিৰত । বিদ্যুতে জ্যোৎস্নাৰ সৈতে সংসাৰ পাতি গুৱাহাটীতে থাকে আৰু হলধৰ গোস্বামী পালেগৈ মেঘালয়ৰ মাওঁচিঙৰাম । মেঘালয়ৰ মাওঁচিঙৰাম এখন উন্নত সৰু চহৰ । চিলংৰ পৰা ৭৫ কিলোমিটাৰ দূৰত মাওঁচিঙৰাম এখন অতি ৰূপহী শুৱনী ঠাই। ই মেঘালয়ৰ ৰূপহী জীয়াৰী। পাহাৰী মাওঁচিঙৰামৰ গড়াকাপ্তানি বিভাগৰ কাৰ্য্যালয়টোৰ পৰা ঠিক পূৱ দিশত চেৰাপুঞ্জী বিশ্বৰ ভিতৰতে বেছি বৰষুণ হোৱা ঠাই। চেৰাপুঞ্জীৰ দৰে মাওঁচিঙৰামৰ বতৰৰ মহিমাও বুজা বৰ কঠিন। কোন মূহুৰ্ত্তত মাওঁচিঙৰামৰ বুকুত তুফান উঠে, বুজা সহজ নহয় । "হলধৰ গড়কাপ্তানি বিভাগৰ ইঞ্জিনিয়াৰৰ ৰাংলাৰ গাদি বাগৰি যায় টুকুৰা টুকুৰ শুকুলা মেঘৰ চাপৰা। চকুৰ পচাৰতে কেতিয়াবা কেতিয়াবা মাওঁচিঙৰামে মনৰ বেদনা খিনিৰে আকাশ মেঘাচ্ছন্ন কৰি তোলে আৰু যেতিয়া তেওঁৰ মনত আনন্দ থাকে তেতিয়া দেখিবলৈ অতি ৰূপহী গাভৰুটি সাজি পাহাৰৰ ফাকে ফাকে সূৰুযৰ মিঠা পোহৰৰে আৱৰি ধৰেহি । এনেহেন ৰূপহী মনোমোহা মাওঁচিঙৰামত এটি গুহা আছে। এই শিৱ গুহাৰ হেনো অপাৰ মহিমা। খাছি হিন্দু সকলে ইয়াক জাগ্ৰত দেৱতা হিচাপে আৱাহমান কালৰে পৰা মানি আহিছে।

এই বিৰাট পাহাৰী গুহাত এটা বৃহৎ শিলা খণ্ডত দুটা গাই গৰুৰ স্তনৰ দৰে ওলমি আছে দুটা শিল আৰু এই স্তন সদৃশ শিলাখণ্ডৰে তলত বিৰাজী থকা শিৱ লিঙ্গত নিৰন্তৰ টোপ টোপকৈ পানী পৰি থাকে। ইংৰাজৰ ৰাজত্ব কালত খাছি হিন্দু সকলৰ ধৰ্ম বিশ্বাসক মষিমূৰ কৰিবলৈ এজন ইংৰাজ চাহাবে গুহাটোৰ শিলাখণ্ড এটা ভাঙি পেলাইছিল। জনশ্ৰুতিমতে সেই ইংৰাজ চাহাব জন গুহাৰ পৰা ওলাই আহি আৰু জীয়াই নেথাকিল। শিৱৰ কোপ দৃষ্টিত মন্দিৰৰ বাহিৰত নিৰ্জীৱ হৈ ঢালি পৰিছিল।

হলধৰ দেৱযানীয়ে সেই গুহাটোলৈ যায় এটি সন্তানৰ মুখ দেখাৰ আশা আকাংখাৰে বিয়া হৈ যোৱা দহটি ৰছৰলৈ তেওঁলোকে সন্তানৰ মুখ নেদেখাত দেৱযানীৰ মুখত আনন্দ নাছিল । প্ৰাণৰ আকুতিৰে শিৱলৈ প্ৰাৰ্থনা জনাইছিল তেওঁলোকে......... | মাওঁচিঙৰামৰ শিৱ সুপ্ৰসন্ন হ’ ল তেওঁলোকৰ ওপৰত । দেৱযানীৰ কোলালৈ নামি আহিল এটি দেৱ শিশু। হলধৰ দেৱযানীৰ আনন্দই হিয়া নধৰা হ'ল আৰু তেওঁলোক গাৱঁলৈ বুলি ঢাপলি মেলিলে নৱ জাতকৰ অৰ্থে পুজা এভাগ আৰু নাম কীৰ্ত্তন কৰিবলৈ। মাওঁচিঙৰামৰ পৰা আহোতে বিদ্যুৎ আৰু জ্যোৎস্নাকো নিমন্ত্ৰণ দি গৈছিল হলধৰ গোস্বামীয়ে ।

মৃত্যুঞ্জয় গোস্বামী বীৰকুছিৰ গাঁৱৰ ভিতৰতে পতিপত্তি থকা লোক। তেওঁৰ পৰিয়ালৰ এটা সুনাম আছে। মৃত্যুঞ্জয় গোস্বামীৰ ল’ৰা হ’ল হলধৰ গোস্বামী। দহটি বছৰৰ পিচত মৃত্যুঞ্জয় গোস্বামীয়ে নাতিয়েকৰ মুখ দেখা পোৱাত যি আনন্দ সেই আনন্দ প্ৰকাশ কৰিবলৈ অতি উলহ মালহেৰে নাম কীৰ্ত্তনৰ আয়োজন কৰিলে। তেওঁৰ ঘৰত আৰু গাওঁখনৰ সকলোকে নিমন্ত্ৰণ দিলে।

মৃত্যুঞ্জয় গোস্বামীৰ নিজা নামঘৰ এটা আছে। সংস্কৃতৰ বিদগ্ধ পণ্ডিত মৃত্যুঞ্জয় গোস্বামীয়ে নিতৌ এই নামঘৰত পুজা অৰ্চনা কৰে। নামঘৰৰ চোতালত এজোপা শেৱালী ফুল আৰু অপৰাজিতা ফুলে পুৰণি নামঘৰৰ ৰং দিয়া টিন পাতৰ সমুখ ভাগ আৱৰি ধৰিছিল। লতা জাতীয় এই অপৰাজিতা ফুল জোপাৰ কাষত নীৰৱে থিয় দি আছে ৰঙা জবা ফুল কেইপাহমান । বহল চোতালখনত ডাঙৰ আৰু ওখ টাপটোৰে সৈতে জোপোহা তুলসী জোপাই গোস্বামী পৰিয়ালৰ সাংস্কৃতিক সম্ভ্ৰমকে জনাই দিয়ে।

নামতি সকলে বহল চোতাল খনত নামৰ আয়োজন কৰিছে। মাহ-প্ৰসাদ আৰু পকা লাডুৰ উপচাৰেৰে তুলসীৰ তলত মিঠা তেলৰ চাকি, ধূপ, নবৈদ্যৰে সুন্দৰ লগা হৈছিল। আয়তিসকলে ইঞ্জিনিয়াৰ চাহাবৰ ল'ৰাৰ জন্মৰ আনন্দতে নাচি বাগি নাম প্ৰসঙ্গ কৰিছিল। নামতি বুঢ়ী বিমলা বুঢ়ীয়ে হাতত বেণুপাত লৈ নানান অঙ্গী ভঙ্গীৰে নামৰ চেৰে চেৰে নাচি আছিল। এই বিমলা বুঢ়ী বেচ নাম পাগলী। নাম থকা বুলি বুঢ়ীয়ে কিবাকৈ গমহে পাব লাগে বুঢ়ীৰ গাত তৎ নোহোৱা হয়। বুঢ়ীৰ গাত এশ চাৰি ডিগ্ৰী জ্বৰ থাকিলেও নৰিয়া পাতিৰ পৰা দৌৰ মাৰে নামলৈ বুলি। এনেই বিমলা বুঢ়া নাচনী তাতে আকৌ মৃত্যুঞ্জয় গোসাইৰ পুতেক হলধৰ ইঞ্জিনিয়াৰৰ ল'ৰাৰ নাম। বুঢ়ীৰ নাচোনৰ চেউ অন্য দিনাৰ নামতকৈ বেছিহে হৈছিল ।

ভাগে ভাগে মানুহ আহি আছিল। কলধৰ গোস্বামীৰ পত্নী দেৱযানীয়ে মুখৰ মিঠা হাঁহিটিৰে ঘৰৰ ভিতৰলৈ আপ্যায়ণৰ বাবে মাতি নিছিল অতিথি সকলক । হলধৰ দেৱযানীৰ গাত আনন্দৰ মধু শিহৰণ উঠা দেখা গৈছিল ।

ইতিমধ্যে পশ্চিম আকাশত বেলি মাৰ গৈছিল আৰু বীৰকুছি গাওঁলৈ সন্ধিয়া নামি আহিছিল। হলধৰ গোস্বামীৰ ঘৰৰ সন্মুখৰ ৰাস্তাৰে গাৰঁৰ গৰুবোৰে ডিঙিত আৰি দিয়া টিলিঙা বোৰ বজাই বজাই নিজ নিজ ঘৰ পাইছিলগৈ। প্ৰতি ঘৰে ঘৰে কেৰাচিনৰ চাকিবোৰ উজ্জ্বলি উঠিছিল। মৃত্যুঞ্জয় গোস্বামীৰ নামৰ স্থলীত হেচাক লাইটৰ পোহৰৰে উজ্বলাই তুলিছিল আৰু নামতি সকলেও উচ্ছাহতে নাম কীৰ্ত্তনত মছগুল হৈ আছিল। এনেহেন পৰিৱেশৰ মাজতে মূৰত ওৰণীলৈ, কপালত টগ্ বগ ৰঙা ফোটটোৰে জ্যোৎস্না হলধৰ গোস্বামীৰ পট্ৰিকত সোমাল। আগে আগে বিদ্যুৎ।

বিদ্যুৎ আৰু জ্যোৎস্নাক হলধৰ দেৱযানীয়ে আদৰি সাদৰি ভিতৰলৈ লৈ গ'ল ।

......নামতি সকলে আবেল ২ বজাৰে পৰা নাম গাই ভাগৰি পৰিছিল আৰু সন্ধিয়া নামৰ সামৰণি পৰিল। আদা-ব্ৰেণী বুঢ়ীয়ে সেৱা ল'বলৈ গৃহস্থক মাতিবলৈ ঘৰৰ ভিতৰত সোমাই দেখে যে নন্দেশ্বৰ বৰুৱাৰ ল'ৰা বিদ্যুৎ আৰু জ্যোৎস্না। সিহঁতক দেখা পাই বুঢ়ী উচাৎ মাৰি চোতাল পালেহি আৰু নামতি সকলক ফুচফুচাই কলে –

ঃ “আইহঁত সৰ্বনাশ হ'ল, সেই যে বিধৰ্মী বিদ্যুৎ দেখোন দেউৰ ঘৰ ভিতৰত সোমাই আছে। কাষত ঘৈণীয়েকেও বিৰাট এটা ৰঙা ফোট লৈ বহি আছে যেন নিখুত হিন্দুৰ ছোৱালীহে বেটি ।“

এটা মুখৰ কুৎচিৎ ভঙ্গিমাৰে বুঢ়ীয়ে কৈ গ'ল। বুঢ়ীৰ কথা শুনি নামতি সকল জাঙুৰ খাই উঠিল যেন কোদৰ বাহত কোনোবাই শিলগুটিহে মাৰি উজাৰি দিলে।

ক্ষন্তেকৰ ভিতৰতে মৃত্যুঞ্জয় গোস্বামীৰ উৎসৱ মুখৰ পৰিৱেশত হুলস্থুল লাগি পৰিল। হুলস্থুল শুনি তৎক্ষণাত ভিতৰৰ পৰা হলধৰ দেৱযানী বাহিৰলৈ ওলাই আহি দেখে যে বিমলা বুঢ়ীয়ে ককালত গামোচাখন বান্ধি কব ধৰিলে–

ঃ আই সকল উঠক আমি আৰু দেউৰ ঘৰত অলপ সময়ো ৰব নোৱাৰো। দেউৰ ঘৰত গাওঁখনৰে কুলাঙ্গৰ নৰাধম বিধৰ্মী হাল সোমাই আছে। হেৰ কপালত ৰঙা সেন্দুৰৰ ফোটটো ললেই হিন্দু হৈ যায় নে। গাওঁ এৰি নন্দেশ্বৰ বৰুৱাও পুতেক বেৱাৰীৰ লগতে চহৰত বাস ক'ৰি আছে । থাকক। আমাৰ আপত্তি নাই। কিন্তু আমি সিহঁত হাল থাকিলে পানী এটোপালো গ্ৰহণ নকৰো । ছিঃ ছিঃ হেৰ দেউ গোসাই মানুহ হৈয়ো বিধৰ্মী হালক সোমাব দিয়েনে ? বলক যঁৰে বস্তু ত’তে পৰি থাকক। এই প্ৰসাদ খাই আমি জাতি যাব নোৱাৰো।

গিৰ্ গিৰ্ কৈ নামতি সকলে ঘৰাঘৰী গুছি গ'লগৈ। দেৱযানীয়ে আচল পাৰি আঠুলৈ ক্ষমা বিচাৰিলে যদিও নামতি সকলে তেওঁলোকৰ ফালে আৰু এবাৰো ফিৰি নেচালে। দেৱযানীৰ দুচকুৰে নামি আহিল বন্যাৰ ধাৰ । দেৱযানীয়ে হুক, হুকাই কান্দি দিলে। নামতি সকল যোৱাৰ পিচত মাথোন পৰি থাকিল উকা চোতাল খনত পাৰি খোৱা ঢাৰিবোৰ আৰু তুলসী জোপাৰ লহ লহকৈ জ্বলি থাকিল মিঠাতেলৰ মাটিৰ চাকিটো। এই আনন্দ ভাগ নষ্ট কৰাৰ দায়ী যেন জ্যোৎসাহে, তাকে ভাবি দেৱযানীৰ লগতে – জ্যোৎস্নাইয়ো কান্দি পেলালে আৰু দেৱযানীক সাবতি ধৰি কলে–বাইদেউ মোক ক্ষমা কৰক । জ্যোৎস্না দেৱযানীৰ অশ্ৰু বন্যাৰ ধাৰে যেন সকলোকে উটুৱাই নিব। হলধৰ বিদ্যুতে অলপ সময় নিমাতে দুয়ো দুয়োকে চাই ললে আৰু দুয়ো বন্ধুৱে দুই পত্নীক শান্তনা দিলে। মৃত্যুঞ্জয় গোস্বামীয়ে পিলাৰীত আৰামী চকি খনত বহি কেৱল নিৰৱ দৰ্শকৰ দৰে ঘটনাটো চাই থাকিল নিষ্ঠুৰ শিলৰ মুৰ্ত্তিৰ দৰে।

মৃত্যুঞ্জয় গোস্বামীৰ উৎসৱ মুখৰ ঘৰখন নিমিষতে হৈ পৰিল জয়াল শ্মশানৰ দৰে। এনেতে আহিল বীৰকুছি গাৱঁৰ মহিলা সমিতিৰ সম্পাদিকা ৰঞ্জনা কাকতি। ৰঞ্জনা কাকতি অন্য এখন সভালৈ যাব লগা হোৱাত হলধৰ দেৱযানীৰ নৱজাত

শিশুৰ জন্ম পাৰ্ব্বনটিলৈ অহাত দেৰী হৈছিল। তেওঁ চোতালত ভৰি দিয়ে। সকলো গম পালে আৰু দুই বোৱাৰীৰ কান্দোনত উখহি পৰা চকু দেখি শান্তনাদি কলে–

ঃ হেৰ জ্যোৎস্না - দেৱযানী, তোমালোক ভাগিঁ পৰিলে নহ'ব।

সমাজ সংস্কাৰ কৰিবলৈ হলে ধৈৰ্য্য আৰু সাহস লাগিব। তোমালোকে আমাৰ নাৰী সমাজক বুজতি দিব লাগিব। আমি আৰু জ্যোৎস্নাক জাহানাৰা হ'ব দিব নোৱাৰো । জ্যোৎস্না আৰু মুছলমান হৈ থকা নাই। আমি সকলোৱে জ্যোৎস্নাক আদৰি ল'ব লাগিব। জ্যোৎস্না বৰ্ত্তমান হিন্দু নাৰীহে। আৰু সিটো কথাও নহয় যে কোনোবা মুছলমানলোক আমাৰ উৎসৱ পাৰ্ব্বণলৈ আহিলে আমাৰ ধৰ্ম নষ্ট হয়। আমাৰ হিন্দু ধৰ্মৰ কুসংস্কাৰবোৰ এৰিবলৈ হ'ল। আমি সংগ্ৰাম কৰিবই লাগিব ।

হলধৰ বিদ্যুতে ৰঞ্জনা কাকতিৰ কথা শুনি বিমল আনন্দ অনুভৱ কৰিলে। দেৱযানী জ্যোৎস্নাই ৰঞ্জনা কাকতিক মাত লগালে- 'আহক বাইদেউ ভিতৰলৈ যাওঁ।'

ঃ নহয় জ্যোৎস্না, তুমিয়ে মাহ প্ৰসাদ খিনি ভগাই দিয়া আমি খাওঁ। এই বুলি কৈ হলধৰ গোস্বামীৰ দুই বাহু বন্ধনৰ পৰা শিশু বিক্ৰমক লৈ আনিলে ৰঞ্জনাই দুই গালত মিঠা চুমাৰে উপচাই দিছে। দেৱশিশু বিক্ৰমে মিচিকিয়াই হাঁহি মাৰি দিলে ৰঞ্জনা কাকতিৰ ফালে চাই.......।

***

# পৰিৱৰ্ত্তনৰ আশাৰে

:ঃ নহয়ো বিদ্যুৎ বিনিতাৰ বিয়াখন গাৱৰ ঘৰতে পাতিম। তাই আমাৰ প্ৰথম ছোৱালী। ৰাইজক এসাজ খুৱাব পাৰিলে ভাল আছিল, নে কি কোৱা ?

ঃ দেউতা, আপোনাৰ প্ৰস্তাৱটো সুন্দৰ। আমিয়ো ভাবো বিনিতাক গাৱঁৰ ঘৰৰ পৰাই বিয়া দিব পাৰিলে ভাল।

ঃকিন্তু..... ?

ঃ কিন্তু আকৌ কি ?

ঃ মানে দেউতা গাৱঁৰ পুৰণি মানুহ বিলাক জানো মৰি শেষ হৈছে ?

ঃ কিয় ?

ঃ যেতিয়ালৈ পুৰণি মানুহ বিলাক মৰি শেষ নহয় মোৰ ছোৱালীক জানো তাত বিয়া দিব পাৰিম ? সকলো যা-যোগাৰ এনেই পৰি থাকিব। খোৱা মানুহ জানো ওলাব ?

ঃ নিশ্চয় ওলাব বোপা ওলাব। সমাজ পৰিৱৰ্ত্তন হৈছে। মোৰ নাতি বিনিতাৰ বিয়াত আহিব। খাব।

ঃ মোৰ বিশ্বাস নহয় দেউতা। বিশ্বাস কৰিবলৈ টান পাওঁ। আমাৰ কাৰণে আপোনালোকে যথেষ্ঠ কষ্ট ভুগিলে। আৰু কষ্ট দিব নোখোজোঁ। পিতৃ-মাতৃক মই ইমান কষ্ঠ দিম বুলি কেতিয়াও ভবা নাছিলো। ভাবিছিলো সঙ্গীত সাধনাৰে আপোনালোকৰ নাম উজ্বলাব পাৰিম। কিন্তু সেইটো নহয় আহিল মোৰ ভাগ্য আকাশলৈ জাহানাৰা। জাহানাৰাৰ সংস্কাৰধৰ্মী মনৰ দিগন্তৰ নিৰ্ম্মল আকাশত মই দীপ্তিমান সূৰ্য্য হৈ উজ্বলিব ধৰিছিলো। আগভাগ লৈছিলো হিন্দু সমাজৰ কুসংস্কাৰ

ধ্বংস কৰাৰ প্ৰত্যাহবানক। বিশ বছৰ ধৰি সংগ্ৰাম কৰিছোঁ। তথাপিও আমাৰ এই বীৰকুছি গাঁৱৰ পৰিৱৰ্ত্তন আনিব নোৱাৰিলো ।

ঃ ধৈৰ্য্যৰ আন এটা নাম প্ৰগতি বুলি কলে জানো ভুল হ'ব বোপা | ধৈৰ্য্য ধৰা ফল পাবা। আমাৰ গীতাতে কৈছে– কাম কৰি যোৱা ফল পিচত পাবা। ফলৰ কথা ভাবিব নেলাগে । যিকোনো মহৎ কাম কৰিবলৈ হলে লাগিব নিষ্ঠা, ধৈৰ্য্য আৰু অসীম সাহস। সকলো ঘাট-প্ৰতিঘাটক, নেউচি আগবাঢ়ি যাব পৰাটোৱেই বীৰ পুৰুষৰ লক্ষণ। ত্যাগ বিনে মহৎ লোক হ'ব নোৱাৰি ? মই জানো ইয়াত বাধা প্ৰদান কৰিছোঁ।

ঃ তাৰ বাবে মই ধন্য দেউতা। গাঁৱৰ মাজতো যে আপোনাৰ নিচিনা এনে এজন সংস্কাৰ ধৰ্মী ব্যক্তিৰ মই পুত্ৰ হৈ উপজিব পাৰিছোঁ। ই মোৰ ভাগ্য। আৰু আপুনি ত্যাগৰ কথা কৈছে–এই ত্যাগ মোৰ নহয় দেউতা আপোনাসৰৰহে । নানা নিকাৰ ভুঞ্জিও যে এতিয়াও এই গাঁৱৰ পৰিৱৰ্ত্তনলৈ আপুনি বাট চাই আছে । বহুলোক ভাঙি পৰিলহেঁতেন ।

ঃ অহো সেইটো নকবা। মোৰ আজি শৰীৰত শক্তি নাই। নহলে আজি মই ৰাস্তাই ৰাস্তাই চিঞৰি চিঞৰি কলোহেতেন–হেৰ হিন্দু ধৰ্মৰ বৰমূৰীয়া সকল তোমালোকৰ ভেমবোৰ এৰা, জাত পাত এৰা, ধৰ্মৰ দোহাইদি হিন্দু বোৰক আৰু কিমান বিমৰ্ধী বনাবা। যুগৰ সোনালী জখলা ডাল চোৱা কিমান সুন্দৰ। তাৰ খাপে খাপে উঠি মানৱতাৰে আকোৱালি লোৱা। হিন্দু জীৱন পদ্ধতিৰ বিকাশ সাধন কৰা হিন্দু জীৱন পদ্ধতিলৈ প্ৰত্যাৱৰ্ত্তন কৰিব খোজা সকলক আকোৱালি লোৱা। কিন্তু কি কৰিম ।

বেটৰ চকী খনত বহি নন্দেশ্বৰ বৰুৱাই নিজৰ দাঁত কেইটা কামুৰি ধৰি মনৰ সকলো ক্ষোভ প্ৰকাশ কৰিছিল। আৰু এটা আবেগৰ দীঘল হুমুনিয়াহ শূন্যৰ বুকুলৈ এৰি দিছিল।

বাপেক পুতেকৰ আলোচনাৰ মাজলৈ হাতত চাহকাপলৈ জ্যোৎস্না পট্ৰিক পালেহি।

ঃ দেউতা এয়া চাঁহ খাওঁক । কি হ’ল আজি ৰাতিপুৱা খনতে কিবা চিৰিয়াচ কথা পাতিছে নেকি ?

বিদ্যুতে হাতত চাহ কাপলৈ মনে মনে বহি থাকিল । আৰু লাহে লাহে চাহৰ কাপত হোপা এটা মাৰিলে।

ঃ নহয়ো আই মানে কিবা এটা কথা ভাবিছিলো আৰু বিদ্যুতৰ আগত প্ৰকাশ কৰিছো।

ঃ কি কথা দেউতা, মই জানো শুনিব নোৱাৰো?

ঃ পাৰঅ' পাৰা কিন্তু থাওঁক, তুমি এতিয়া বাৰু শুনিব নেলাগে। সময়ত কম। বিমৰ্ষ মনেৰে জ্যোৎস্না পাক ঘৰলৈ গ’লগৈ । নন্দেশ্বৰ বৰুৱাই লাহেকৈ চাহ কাপ হাতত লৈ হোপা এটা মাৰিলে। পুনৰ হাতত লোৱা বস্তু ৰুটি লৈ জ্যোৎস্না বিদ্যুৎ নন্দেশ্বৰ মাজলৈ আহিলে। তেতিয়াও দুয়োজনাৰ মনৰ মাজত যেন কিবা ডাঙৰ সমস্যাই জুমুৰি দি ধৰি আছিল। দুয়োজন লৈ খোৱা বস্তুখিনি আগবঢ়াই দি জ্যোৎস্নাও তেওঁলোকৰ কাষতে বহি পৰিল। তেওঁলোকৰ মানসীক উদ্বিগ্নতাক উৰুৱাই দিবলৈ জ্যোৎস্নাই কলে–

ঃ এই মধুৰ ৰাতিপুৱা খনতে আপোনালোকৰ মুখৰ চেহেৰা দেখি ধৰিব পাৰিছো কিবা জটিল সমস্যাত পৰা বুলি মই ভাবো। এই সমস্যা সমাধান কৰিবলৈ মইয়ো আপোনালোকক কিছু সহায় কৰিব পাৰিম।

ঃ পাৰিবা পাৰিবা আই, তুমি পাৰিবা।

ঃ কিন্তু দেউতা সেই সমস্যাটোনো কি?

ঃ সমস্যা সৰু নহয় । ডাঙৰ ।

বিদ্যুতৰ কথাখিনিৰ প্ৰকাশ ভঙ্গীয়ে জ্যোৎস্লাৰ অন্তৰত হিন্দোলনী তুলিছিল।

ঃ নকয় কিয় কি ডাঙৰ সমস্যা?

ঃ বিনিতাৰ বিয়াখন দেউতাই গাঁৱৰ ঘৰত পাতিব বিচাৰে । তাকে আমি আলোচনা কৰি আছে।।

ঃ অ’ সেইটোহে কথা। তাৰ বাবেনো ইমান মূৰ ঘামাব লাগেনে ? বিনি।

ঃ কি মা ?

ঃ চাওঁ এই ফালে আহচোন? পঢ়া কোঠাৰ পৰা বিনিতা আহি পট্ৰিক পালেহি।

ঃ কিয় মাতিছা মা?

ঃ এই কাপ পিলেটখিনি লৈ যোৱাচোন । একান্ত বাধ্য ছাত্ৰৰ দৰে বিনিতাই কাপ পিলেটখিনি লৈ গ'ল পাক ঘৰলৈ । বিদ্যুতৰ দেউতাক নন্দেশ্বৰ বৰুৱাই বিনিতাৰ লাউনী মুখখনলৈ এবাৰ চকু ফুৰাই ললে । কিমান মৰমীয়াল তাই। এপাহি শুভ্ৰ পদুমৰ পাহিৰ নিচিনা তাইৰ মুখৰ চেহেৰা। বিদ্যুত তেতিয়াও তলমূৰ কৈ বহি আছিল।

ঃ দেউতাৰ কথাত আপুনি কি কৈছে।

ঃ মই একো কব পৰা নাই ।

ঃ কিয় ?

ঃ কিয় মানে। তাইৰ মুৰটোও খাব বিচাৰিছা নেকি ? গাঁৱৰ ঘৰত বিয়া পাতি তাইৰ জীৱনলৈ আৰু দুৰ্য্যোগ মাতি আনিব নোৱাৰো। আমি গাঁৱৰ সমাজৰ যি বলি হলো মোৰ সন্থানক সেইটো হ’ ব নিদিম ।

ঃ সংগ্ৰামেই জীৱনৰ উজ্বলতা বঢ়াই তাক আপুনিও জানে দেউতাইও জানে, সংগ্ৰাম নাথাকিলে জীৱনৰ সৌন্দৰ্য্য কি বুজা নেযায়। আমি সংগ্ৰাম কৰি ডাঙৰ হলো আৰু ভাবো আমাৰ সন্তানেও সংগ্ৰাম কৰিব শিকক। মনৰ দুৰ্ব্বলতাক প্ৰশ্ৰয় দিয়াতো ঠিক নহ'ব নেকি ?

ঃ তাৰ মানে তুমি বিনিতাৰ বিয়া গাঁৱাতে পাতিব বিচৰা ।

ঃ হয়। মা- দেউতাৰ আকাংক্ষা পূৰণ হ’ব দিব লাগিব।

ঃ জ্যোত্স্না......।

ঃ: কোনো চিন্তাৰ কাৰণ নাই। মই ভাবো গাঁৱৰ পৰিৱেশত জন্ম গ্ৰহণ কৰা আমাৰ দেউতা, দেৱতা। ইমানবোৰ কষ্ট পাইয়ো পুনৰ গাঁৱাৰ সমাজখনতে বিয়াৰ চিন্তা কৰিছে যিহেতু আমি তাত সহাৰি দিবই লাগিব। দেউতা ভাগৰি এতিয়াও পৰা নাই আৰু আমি পৰিলে কেনেদৰে চলিব ? আমিও আগবাঢ়িব লাগিব।

ঃ যদি বিকাশৰ পৰিয়ালে জানে যে বিনিতা দুই ধৰ্মীৰ ঔৰষ জাত সন্তান ।

ঃ তাত কি হ’ব ?

ঃ বিনিতাৰ কি হ’ব ? এই গুৱাহাটী চহৰতে বিয়া পাতি দিলে গাঁৱৰ মানুহে গম নেপাব নেকি ? গাঁৱৰ মানুহে গম পাওঁক আৰু গম পোৱাকৈয়ে বিয়া পতাতহে আমাৰ কৃতকাৰ্য্যতা আছে। নহলে আমি হাৰি যাম। কথাখিনি কৈ জ্যোৎস্নাই হুক্ হুকাই কান্দি দিছিল।

ঃ নেকান্দিবা আই, নেকান্দিবা। ছিঃ কান্দিব নেপাই নহয় । নেলাগে বিদ্যুতৰ মতে বিয়া পতাতো ভাল হ’ব। এইখনো নিজৰহে ঘৰ । মোৰ ভুল হৈছিল। ভাবিছিলো মৰাৰ আগতে সমাজখন চাই যাওঁ কিমান সলনি হ'ল ।

চকি খনৰ পৰা উঠি আহি বোৱাৰীয়েকৰ মূৰত হাত বুলাই দিলে নন্দেশ্বৰে।

নন্দেশ্বৰ বৰুৱাই পুতেকৰ জৰিয়তেই গাওঁখনত বিপ্লৱ আনিব বিচাৰিছিল আৰু বিদ্যুতে মুছলমান সম্প্ৰাদায়ৰ ছোৱালীৰ লগত বিয়া কৰাতো হকা বাধা দিয়া নাছিল। বৰঞ্চ তেওঁ ডেকা চামক গাওঁখনৰ কুসংস্কাৰবোৰ এৰি গাঁৱৰ হোজা মানুহখিনিক বুজনি দি সংস্কাৰিত কৰিবলৈ উৎসাহহে যোগাইছিল । সেইহেতুকে নাতিনী বিনিতাৰ বিয়াখন গাঁৱৰ ঘৰত পতাৰ বাবে পুতেক বোৱাৰীয়েকৰ সৈতে আলোচনা কৰিছিল । বিদ্যুত জ্যোৎস্নাৰ বিয়াৰ পচিশটা বছৰৰ পিচতো নন্দেশ্বৰে বিচাৰিছিল গাঁওখনৰ পৰিৱৰ্ত্তনৰ কথা। পিচে হতাশাত ডুব গ'ল তেওঁ।

বোৱাৰী জ্যোৎস্নাই, শহুৰেকৰ মনৰ কথাখিনি শুনি থাকিব নোৱাৰিলে ।

জ্যোৎস্নাৰ দুচক্ষুত বিৰিঙি উঠিছিল এবুকু বেদনা ভৰা, বিদ্ৰোহ আৰু ক্ষোভৰ অশ্ৰু জলকণা। গিৰ্ গিৰ্ কৈ বৈ অহা অশ্ৰুধাৰা চাদৰৰ আচলৰ আগটোৰে মুঠি ললে মাথোন জ্যোৎস্নাই।

***

# স্বউক্তি

হাতত কেমেৰাটো লৈ ওলাই যোৱাৰ প্ৰস্তুতি কৰিছো জানোছা এটি ভাল স্নেপ পাওঁ। বাতৰি কাকতখনত কোনোৱেই নছপোৱা ধৰণৰ ভাল ফটো এখন আমাৰ সম্পাদকৰ হাতত দিব পাৰিলে সম্পাদকে ভাল পায় । সদায় সদায় একে মিনিষ্টাৰৰ সভা সমিতিৰ ফটো বাৰু কিমান ছপাম, তাত যেন নতুনত্ব একোৱেই নাই। ৰবীন্দ্ৰ ভৱন, জিলা পুথিভঁৰাল, জৰ্জ খেল পথাৰৰ সভা সমিতি আদি সকলো একে । কোনোবা গোষ্ঠী বা সংগঠনে সভা এখনৰ আয়োজন কৰিব তাৰে গেদাৰিং আৰু নেতাজনে ভাষণ দি থকাৰ এটা ছবি আনি দিলেই কাম খটম। এনে গতানুগতিক ছবি সংগ্ৰহ কৰি মনটোৱে নেমানে। মনতে ভাবিলো আমাৰ বাতৰি কাকতখনত অলপ বেলেগ ৰুচি সম্পন্ন ফটো সংবাদ দিব পাৰিলে ভাল আছিল। অৱশ্যে আগতে আমাৰ ৰাজ্যখনত অফচেট মেচিন নাছিল বাতৰি কাকতত Bloock এটা বনাই ফটো সংবাদ দিলে যথেষ্ট খৰছ পৰে কিন্তু আজিকালি আমাৰ ৰাজ্যখনতো সকলো বাতৰি প্ৰতিষ্ঠানতে অফচেট মেচিন হ'ল আৰু এই মেচিনত ফটো ছপাব পৰা যথেষ্ঠ সুবিধা হৈছে । সেয়ে দেশৰ ফটো সাংবাদিকতাৰ লগে লগে আমাৰো কিছু পৰিৱৰ্ত্তন আহিল।

কিন্ত ই অন্য প্ৰদেশবোৰৰ তুলনাত বহু পিচ পৰা । অৱশ্যে তাত আমি দুখ কৰিও লাভ নাই কিয়নো স্বাধীনতাৰ চল্লিশ বছৰ পিচতো আমাৰ অসম ৰাজধানী দিল্লীৰ পৰা বহু দূৰ হৈয়ে থাকিল। দিল্লী কলিকতা মাদ্ৰাজ মোম্বাইৰ আদব কাইদাতকৈ অসম বহুত পিচ পৰি থকাতো কোনো ডাঙৰ কথা নহয়, তাৰ কাৰণ হ'ল কিয়নো অসমক এচাম ব্যক্তিয়ে একেবাৰে মাহীমাৰ দৃষ্টি নিক্ষেপ কৰাৰ বাবে এনে দুৰ্দ্দশা। কিন্তু অসম আৰু অসমবাসীয়ে এতিয়া দিব্য শক্তি আহৰণ কৰিলে। আশীৰ দশকে অসমীয়ালোকক বহু শিক্ষাৰে শিক্ষিত কৰিলে। সেইবোৰ শিক্ষাৰ লগতে আমাৰ ৰুচিও বদলিল, বাতৰি কাকতবোৰেও গতানুগতিক বাতৰি পৰিবেশণৰ ধাৰা সলনি কৰি ফটো সাংবাদিকতাতো জোৰ দিলে। কিয়নো বাতৰি এটাৰ সৈতে ছবি এখন দিলে সেই বাতৰিটোৰ সৌষ্ঠৱ অধিক বাঢ়ে ।

কেমেৰাটো হাতত লওঁতেই অলেখ ভাৱে আহি মোৰ মনটোত ভুমুকি মাৰিলে। কিদৰে সামাজিক মূল্যবোধৰ ছবি লোৱাৰ বাবে মনটো আগ্ৰহী হ'ল– আৰু তাকে বিচাৰি বিচাৰি ফুৰিবলৈ ধৰিলো। মোৰ দৃষ্টি কেৱল কোনখন ৰাজহুৱা ঠাইত মানুহে মহিলাৰ আগতে থিয় দি প্ৰেছাৱ কৰে, কোনে তিন-টাচৰ পাতৰ খেলা দেখুৱাই গাঁওৰ পৰা নগৰলৈ অহা নতুন মানুহক ঠগি দুপইচা আৰ্জে, কোনটো নলা নৰ্দমাত পৰি পদচাৰীলোক মৃত্যু মুখত পৰে । এনেবোৰ দৃশ্য ধৰি ৰখাত অধিক মনোনিবেশ কৰিলো।

এদিনাখনৰ কথা, জানেই নহয় গুৱাহাটী মহানগৰীখনত য'তে ত'তে মানুহে প্ৰেছাৱ কৰে সেইটো বন্ধ কৰিবলৈ কেমেৰাটো হাতত লৈ আছো। অৱশ্যে কিছুমান ভাল ছবি সংগ্ৰহ কৰিবলৈ হ'লে বহু কষ্ট কৰিব লাগে আৰু সময়ো যথেষ্ট দিব লাগে। ৰাতিপুৱা খনতে ওলাইছো, বেলি ফৰকাল । ভৰলুমুখৰ এপলো হোটেলৰ সন্মুখত স্কুটাৰখন থিয় কৰি থৈ কেমেৰাটোত জুম লেঞ্চ লগাই ৰেডি কৰি ৰাখিছো আৰু এনে ঠাইত মই ৰাতিপুৱাৰে পৰা চোপ পাতি আছো যে সেই ঠাইখনৰ পৰা অনায়াসে ছবিখন ধৰি ৰাখিব পাৰিম। গাঁৱৰ পৰা গাড়ীবোৰ আহে আৰু মাছখোৱা বেচৰকাৰী বাছ আস্থানত গাড়ীবোৰ ৰয়। কিন্তু তাৰ আগতেই ভৰলুমুখত গাড়ী বোৰ কিছু খালী হৈ যায়, কিয়নো তাত চিটি বাছত উঠিবলৈ অলপ সহজ হয়। মাছখোৱাত চিটিবাছত উঠোতে যথেষ্ঠ ভীৰ হয় বাবে তাতে কিছু কিছু লোক বাছৰ পৰা নামে । দূৰ দূৰণীৰ পৰা অহা যাত্ৰীবোৰে ভৰলুমুখৰ তৰুণৰাম ফুকন দেৱৰ অৱক্ষয় মূৰ্ত্তিটোৰ তলতে প্ৰেছাৱ কৰে। দৃশ্যটো মোৰ সহ্য নহ'ল, আমাৰ দেশৰ এজন স্বনামধন্য স্বাধীনতা সেনানী বীৰ যোদ্ধা দেশভক্ত এগৰাকীৰ প্ৰতি মানুহৰ এনেকৈয়ে শ্ৰদ্ধা নাই যে তেওঁৰ মূৰ্ত্তিৰ গম্বুজটোতে প্ৰেছাৱ কৰিব আৰু তাৰ কাষেদি যোৱা ছোৱালী তিৰোতাবোৰেও চাই থাকিব। তাকে ভাবি মই এই কাৰ্য্যটো বন্ধ কৰিবলৈ ছবি এখন লোৱাৰ প্ৰয়োজনিয়তা বোধ কৰি ৰৈ আছিলোঁ। গাড়ী আহিল। হু হু কৈ গাড়ীৰ পৰা যাত্ৰীবোৰ নামি পৰিল। এজন প্ৰায় ৪৬ বছৰীয়া লোকে বাছখনৰ পৰা নামিয়ে দিলে লং পেণ্টৰ চেইন খুলি। কাৰো ফালে নোচোৱাকৈয়েই তেওঁ কামটো আৰম্ভ কৰিলে তেনেতে মই এনেকৈ ছবিখন ধৰিলোঁ তাক আৰু মই ভাষাৰে বৰ্ণাব নোৱাৰো । কেমেৰাৰ চাটাৰ মাৰি মই লৰালৰিকৈ স্কুটাৰৰ ফালে আগবাঢ়িলো । মানুহজনে প্ৰেছাৱ কৰা দৃশ্যটো ধৰা বাবে তেওঁ এনেদৰে মোলৈ দৃষ্টিনিক্ষেপ কৰিছিল যেন ককালত কোব খোৱা ফেঁটি সাপ এটিহে। খেদি আহিল মোৰ পিনে ।

কিন্তু মোক পাই ক'ত। স্কুটাৰত উঠি মই আতৰি গ'লো। ওচৰৰ মানুহবিলাকে মোৰ পিনে চাই থাকিল। সেইদৰেই ফাঁচি বজাৰলৈ সোমোৱা ৰাস্তাটো এইদৰে মই চোপ পাতি ফটো লৈ বাতৰি কাকতত ছপালো । তাৰ পিচতে সেই কাৰ্য্য শুদ্ধ হ'ল । সম্পাদকে ভাল পালে। মোৰ মনটো আৰু দুগুণ উৎসাহেৰে আগবাঢ়িল ভাল সামাজিক মূল্যবোধৰ ছবি সংগ্ৰহৰ বাবে।

আন এদিনাখনৰ কথা মহাত্মা গান্ধী পথত, চিকিৎসা মহাবিদ্যালয়ৰ পিচফালে মানুহ এজন পৰি আছে। মৰাশ যেন অনুমান হ'ল। ভাবিলো ৰাতিপুৱাখনতে পালোঁ এটা মৃতদেহ । স্নেপটো তপতে তপতে লৈ ফটো খন বনাই সম্পাদকৰ হাতত তুলি দিলো কেপচানটো লিখি ।

কিন্তু মোৰ মনটোত কিবা উগুল থুগুল দাগি থাকিল মৃত দেহৰ ছবি কেপচান দিলো- "মহানগৰীত পৰিত্যাক্ত মৃতদেহ" । যদি মানুজন মৰা নাই তেতিয়াহলে–কি হ'ব। তুৰন্তে আকৌ আহিলো সেই ঠাইলৈ। ওচৰৰ পৰা চিঞৰিলো–

—হেৰৌ মৰানে জীয়া। হেয়, নেমাতা কিয় ?

কাষেৰে যোৱা পদাচাৰী বুঢ়া এজনে মাত লগালে ।

–হেৰা বোপা কাক মাতিছা ?

–এহ্ নকৰ এই মানুহজন পৰি থকাবাবে মাতিছো।

–তেওঁ যোৱাকালি আবেলিতে মৰিল।

—অ' হয় নেকি ? ভালদৰে চালোঁ মানুহজনৰ মুখমণ্ডত অগণন মাখি আৰু পৰুৱাৰ লানি লাগিছে।

উগুল থুগুল লাগি থকা মনটোত শান্ত আৰু নিশ্চিন্ত হ'ল যদিও ক'ব নোৱাৰাকৈয়ে এটা দীঘল হুমুনিয়াহ মোৰ মুখৰ পৰা বাগৰি গ'ল ।

আৰু এদিনৰ কথা। ভৰলু নদীৰ পাৰে পাৰে আৰ্যবিদ্যাপীঠ কলেজলৈ যোৱা পথটোৰে গৈ আছো, দিনৰ প্ৰায় বাৰমান বাজিছে তেতিয়া। এটা দলে তিন টাচৰ খেল পাতি তেওঁলোকৰ প্ৰৱঞ্চনাৰ জালত মানুহ ধৰাৰ ব্যৱস্থা কৰি আছে। প্ৰায় পাঁচজনীয়া প্ৰৱঞ্চকৰ দল এটা। প্ৰথমতে সিহঁতৰ ভিতৰতে খেলা খেলে আৰু

পদচাৰীলোকক আকৰ্ষণ কৰে। বিশেষকৈ গাঁৱৰ পৰা অহা এনে লোক তেওঁলোকৰ চিকাৰ হৈ পৰে । তেওঁলোকৰ ছবি ধৰিব খোজোতেই গোটেই কেইজনে মোক আগুৰি ধৰিলে আৰু কেমেৰাটো কাঢ়ি ৰিল খুলি লৈ পেলালে, ভাগ্য ভাল এনেতে চিটি পুলিচৰ পেট্ৰোলিঙৰ দল এটা গাড়ীৰে অহা দেখি সিহঁত কেইটা পলাই পতং দিলে.....।

এইদৰে ভালেমান ফটো সংবাদ ছপালো। আমাৰ বাতৰি কাকতখনে সংবাদ ছবিৰ এক নতুন ধাৰাৰ প্ৰৱৰ্ত্তন কৰিলে, সম্পাদকেও বাঃ বাঃ দিলে মোক । মইয়ো নিজৰ জীৱন বিপন্ন কৰি হলেও কিছুমান অঠেন্টিক ছবি সংগ্ৰহ কৰিলো, আৰু অনুসন্ধানমূলক সংবাদৰ লগতে ছবিও কালেকচন কৰিলো । সঁচাকৈ কিন্তু মোৰ সাংবাদিক জীৱনত এনে এটা মুহূৰ্ত্ত পালো যাক আজিও মই পাহৰিব পৰা নাই। সেই কথাটো মনত পৰিলে ভাব হয়– সেইদিনাৰ ছবি সংবাদৰ মুহূৰ্ত্তটো এটা সুন্দৰ গল্পৰ প্লট হ,ব পাৰে। মই গল্প চল্প লিখিব নেজানো, সাহিত্যত মোৰ হাত নাই। অৱশ্যে মোৰ বন্ধু অৱন বৰবৰাক কলে নিশ্চয় তেওঁ এটা ভাল গল্প লিখি উলিয়াব পাৰিব অৱনৰ হাতখনে এককে দুই কৰি ৰহণ সানি পাঠকৰ আগত সুন্দৰকৈ মনোগ্ৰাহী কৰি উপস্থাপন কৰিব পাৰে। তাকেই ভাবিছিলো। ঘটনাটো সিমান দেখাত ডাঙৰ নহয় আৰু লোক চক্ষুত হয়তো সিটো ধৰা নপৰিবও পাৰে, কিন্তু মোৰ মনত হলে বৰকৈ লাগিছিল ।

সিদিনা আছিল অসম বন্ধ। সদৌ অসম ছাত্ৰ সন্থাই আহ্বান দিয়া বন্ধৰ দিন। সাধাৰণতে আমাৰ ৰাজ্যখনত আছুই বন্ধ দিলে ৰাইজে অনায়সে পালন কৰে। সিদিনাও পালন কৰা হৈছিল। গুৱাহাটী মহানগৰীৰ সকলোবোৰ দোকান পোহাৰ বন্ধ হৈছিল । চৰকাৰী পক্ষই পুলিচৰ দ্বাৰা তলা ভাঙি দোকান-পোহাৰ খোলাৰ ব্যৱস্থা কৰিছে যদিও সৰ্বাত্মকভাৱে বন্ধ হৈছিল গুৱাহাটী। অন্য দিনাৰ দৰে স্কুটাৰখনলৈ গোটেই গুৱাহাটীখন এপাক মাৰিলো । ৰাস্তা একেবাৰে উকা হৈ পৰি আছে। মাজে মাজে ৰাজপথত কিছুমান ডেকা ল'ৰাই ক্ৰিকেটে খেলি আছে। বিহাৰী ঘোঁৰা গাড়ীৰ মালিক বিলাকে বন্ধৰ দিনা ঘোৰাঁবোৰ এৰি দিয়াত বিনাদ্বিধাই ৰাজপথত ঘোৰাঁবোৰ বিচৰণ কৰি আছে। দিচপুৰৰ পৰা আহি মই পানবজাৰৰ ওভাৰব্ৰিজেৰে নামি গৈ বাওঁকাষেদি বৈ যোৱা ৰাস্তাটোৰে লাখটকীয়াৰ ফালে আগবাঢ়িলোঁ । সেইখিনিত থকা ফুটপাঠৰ দোকানবোৰ সম্পূৰ্ণ বন্ধ। ঠাইখিনি উদং হৈ আছিল যদিও নৰ্দমাটোৰ ওপৰত বাহৰ জেলেঙা পাৰি দি তাৰ ওপৰত পতা খালি

দোকান এখনৰ দৃশ্যটি দেখি মই ৰৈ গ'লো । বাহৰ কামি কেইটাৰ ওপৰত বহি আছে এগৰাকী অস্তিচৰ্ম লগলগা মহিলা। চুলিখিনি বিদিৰ্ণ। ককালত এখন ফটা চিটা শাৰী, বুকুৰ লাজখিনি ঢাকিবলৈ নামত ব্লাউজ এটা আছে যদিও সেইটোৱে তাইৰ লাজ নিবাৰণ কৰিব নোৱাৰি। ভৰিহাত লেৰেলি গৈছিল আৰু পিঠিৰ ৰাজহাড় ডাল জক্ জক্কৈ ওলাই পৰিছিল । কাষত দুটা পেট গেৰেলা শিশু । এটা অলপ ডাঙৰ । ডাঙৰটোৱে সন্মুখত খালি চিলভাৰৰ ভঙা বাতি এটা লৈ আছে আৰু সৰু শিশুটোৱে মাকৰ সোহাতৰ কাষলতিৰ তলেদি মুৰটো সোমাই মাৰ শুকান স্তন যুগলৰ পৰা ভোকতে গাখীৰ খাব ধৰিছে। তেতিয়া তাইৰ শুকান বুকুত ওলমি থকা মাংস পিণ্ড উম্মুক্ত হৈ পৰিছিল যেন ফুট বলৰ ভিতৰৰ পাম নোহোৱা টিউবটোহে। তাই আঠুৰ ওপৰলৈ পিন্ধি থকা শাৰীৰ টুকুৰাখিনিৰে সোহাতখন ঠেতুৰীত ধৰি উদাস আৰু অৰস শৰীৰেৰে বহি নিজৰ শিশুটোক দেহাটো এৰি দিছিল জানোচা সি এটুপি গাখীৰ পাই। সি মাকৰ শুকান দেহাটোৰ পৰা এটোপাল গাখীৰ খোৱাৰ বাবে যুঁজি থকা দেখি তৎক্ষণাতে ছবিখন ধৰিলো। ছবিখন লোৱাৰ পিচতো তাই প্ৰস্থৰ মূৰ্ত্তিৰ দৰে বহি থাকিল এক উদাসী মনেৰে। মোৰ মনে সহিব পৰা নাছিল তাই আৰু শিশু দুটাৰ দৰিদ্ৰতাখিনি দেখি। কিন্তু.......।

ছবিখন বনাই আনি দিলো সম্পাদকৰ হাতত, কিন্তু ছবিখন তেওঁ ভালদৰে মোৰ সন্মুখত নেচালে । এনে এঙ্গুলৰ পৰা ছবিখন ধৰি ৰাখিলো যে সেই ছবিখন মোৰ বাবেই নহয় শিল্পী সুলভ আৰু সামাজিক দায়ৱদ্ধ চিন্তা থকা লোকসকলৰ বাবে হ'ব ই এক শ্ৰেষ্ঠ ছবি। পিচদিনা আগ্ৰহেৰে ৰৈ থাকিলো বাতৰিখন চোৱাৰ বাবে। কিন্তু দেখোযে অন্য বন্ধৰ গতানুগতিক ফটোহে ওলাল সেই ফটোখনে প্ৰকাশৰ বাট নেদেখিলে। কেমেৰাটো হাতত লৈ ভাবি থাকোতেই এনেতে বাহিৰত ৰমেন দা ৰমেন দা বুলি মাত লগালে আৰু উধাতু খায় মই বহি থকা ৰুমটোলৈ দৌৰী আহিল মিণ্টু।

–কি হ'ল অ' মিণ্টু ।

–আহক কেমেৰাটোলৈ জলদি।

–ক'লৈ ।

–তিনিআলিত আততায়ীয়ে ৰবীনক গুলিয়াই থৈ গ'ল।

তেজেৰে লুতুৰী পুতুৰী হৈ পৰি আছে। অঃ ৰবীনক গুলিয়ালে। মন্ত্ৰমুগ্ধ সাপৰ দৰে কেমেৰাটো লৈ মিণ্টুৰ পিচে পিচে আগবাঢ়িলো ঘটনাস্থলীলৈ।

***

# প্ৰতিশোধৰ দাৱাগ্নি জ্বলে যেতিয়া

মৰমী লিনা,--

মৰমবোৰ ল'বা । এতিয়া নিশা বহুত হ'ল। আটাইবোৰ লোক নিদ্ৰাৰ আশ্ৰয় কোলাত মূৰ বিলাক পেলাই দিনৰ দিনটোৰ কৰ্ম ব্যস্ততাৰ অৱসাদখিনি আতৰ কৰিবলৈ শুই পৰিছে। মোৰ মাইনুজনীও শুই পৰিছে। গুৱাহাটীৰ এখন আশ্ৰমত মই মোৰ মাইনুজনীৰ সৈতে দিন কটাব ধৰিছো। তিনিমহলা বিল্ডিংৰ পূৱ ফালে থকা ১৩ নং কোঠাত মই বৰ্ত্তমান আছো। বহুতেই এই কোঠাটোত থাকিব নোখোজে unlucky 13 বুলি । তুমিটো জানাই মই অত্যন্ত জেদী, নিৰ্ভীক আৰু যুক্তিবাদী ছোৱালী সৰু কালিৰে পৰা অন্ধ অনুকৰণ বৰ্জন কৰা স্বভাৱী বুলি । সেয়েহে মই এই কোঠাটোতে থাকিব লৈছো। এই ঠাইখিনি অতি মনোৰম । প্ৰাকৃতিক দৃশ্যৰাজিয়ে আৱৰি থকা এই মনোমোহা ঠাইখিনি চাই চাই হেপাহ পুৰাব নোৱাৰো । নিশাৰ নিৰৱতাৰ মাজত মই অকলে বিল্ডিংৰ চাদত বহি maditation কৰি থাকি বৰ ভাল পাওঁ । দুখৰ নিশাবোৰৰ কথা ভাবি ভাবি অতীতৰ বেদনাদায়ক দিনবোৰ ৰোমন্থন কৰি জেদী মনটো আকৌ যুদ্ধত যোৱা বেগী ঘোঁৰাটোৰ দৰে দৌৰ দিয়ে মহাপাপী টনয় চৌধুৰীৰ বুকুৰ কেঁচা তেজ এটুপি খাবলৈ। সেই টনয় চৌধুৰীয়ে মোৰ জীৱনৰ সৰ্ব্বস্ব শেষ কৰিলে। ভালুকী গাঁৱৰ টনয় চৌধুৰী এতিয়া এজন সমাজৰ আগশাৰীৰ ব্যক্তি। শিক্ষাই দিক্ষাই আগবঢ়া । গাৱঁৰ লোকসকলক হাতৰ মুঠিত ৰাখিবলৈ সেইকণ বুদ্ধি আৰু যোগ্যতা নোহোৱা নহয়। কিন্তু গাঁৱৰ নিৰ্ভীক হোজা খেতিয়ক খিনিক তেওঁ যে শোষণ কৰি আছে, নিজ স্বাৰ্থ সিদ্ধিৰ বাবে সকলো কৰি আছে ৰাইজে বুজি পাইয়ো কোনোদিনে মাত মাতিব পৰা নাই । হোজা খেতিয়ক খিনিৰ বুকুৰ মাজত যে উত্তপ্ত আগ্নেয়গিৰি একোটা আছে মই জানো আৰু সেই গলিত লাভাই যে এদিন বিচ্যুৰিত হৈ টনয় চৌধুৰীক ধ্বংস কৰিব তাত মোৰ কোনো সন্দেহ নাই। এদিন হলেও মই সেই গলিত লাভাবোৰ দেখিব পাম । মোৰ বিশ্বাস আছে ।

লিনা, টনয় চৌধুৰীয়ে মোৰ সোণালী ৰঙীণ ভৱিষ্যতটো আউসীৰ অন্ধকাৰৰ দৰে কলা কৰি পেলাইছে। আজি মই নিঠৰুৱা । মই মোৰ পতিৰ পৰা পৰিত্যক্তা। বুকুৰ মাজত দাৱাগ্নি জ্বলি আছে ! স্কুলীয়া জীৱনত কাৰো সৈতেই কথা পতা নাছিলো মই । কাকো প্ৰেম নিবেদনও কৰা নাছিলো । তুমিটো জানাই মোৰ পিতৃ

নিলময় শৰ্মাৰ কথা । সহজ সৰল জীৱন যাপন কৰা ব্যক্তি। টনয় চৌধুৰীৰ ভাই বিনয় চৌধুৰী মোৰ মিঠা যৌৱনৰ সোৱাদ ল'বলৈ আহিল । সংস্কাৰমুখী মোৰ মনটোৱে বিনয়ক লগত লৈ সমাজৰ কুসংস্কাৰবোৰ বৰ্জন কৰিবলৈ মন মেলি দিলো। যৌৱনৰ প্ৰথম পুৱাতে বিনয়ক মই বহু সাহসী যুৱক বুলি ভাবিছিলো। সময়ৰ প্ৰত্যাহ্বান স্বীকাৰ কৰিবলৈ সক্ষম হ'ব পাৰিব বুলি মোৰ দৃঢ় বিশ্বাস আছিল তেওঁৰ ওপৰত। কিন্তু নহ'ল। কুটনীতি পৰায়ণ টনয় চৌধুৰীৰ ক্ষোভ আছিল মোৰ ব্ৰাহ্মণ সম্প্ৰদায়ৰ ওপৰত জেদত জিকিবলৈ, সেই কথা মই বুজা নাছিলোঁ। টনয়ৰ চক্ৰান্ততে মই এদিনাখন বিনয় আৰু মোৰ ৰেজিষ্টাৰ বিয়া সম্পন্ন হৈ গৈছিল। বিয়া সম্পন্ন হৈ যোৱাৰ পিচতে টনয় চৌধুৰীয়ে ভালুকী গাঁৱত জনৰৱ তুলি দিছিল বামুণৰ ছোৱালী তেওঁৰ ঘৰত সোমোৱা বুলি । মোৰ সৰল পিতৃ নিলময় শৰ্মা হতাশাত বুৰ গ'ল । মোৰ ওপৰত পিতাৰ অগ্নিবৰষা ক্ষোভ জুমুঠিয়ে জুমুঠিয়ে পিঠিৰ ওপৰত পৰিব ধৰিছিল এচাৰীৰ কোব হৈ। পিতাই কোনোদিনেই মই এনে কুকাৰ্য্য কৰিম বুলি ভাবিব পৰা নাছিল । মই দৰ্শন শাস্ত্ৰৰ ছাত্ৰী আছিলো। মোৰ মন সদায় কুসংস্কাৰ বৰ্জনমুখী। গতিকে মই ভাবিছিলো সমাজখন পৰিৱৰ্ত্তন কৰিবলৈ । পিচে নহ'ল।

বিনয় আৰু মোৰ প্ৰেমৰ কথা নকওঁ । তেওঁ মোক যথেষ্ট মৰম কৰে। কিন্তু তেওঁ ককায়েকৰ কথা এষাৰো পেলাব নোৱাৰে । ককায়েকৰ কথামতেই চলে। অৱশেষত বিনয় আৰু মোৰ বিচ্ছেদ ককায়েকৰ ষড়যন্ত্ৰতে হ'ল মই নিঠৰুৱা হলো। ইতিমধ্যে মাইনুৱে মোৰ গাত স্থিতি ললে। মই নিৰুপায় হলোঁ । পিতাৰ ঘৰতো মোৰ স্থান নোহোৱা হ'ল আৰু পৃথিৱীৰ পোহৰ বিলাক চাবলৈ আহিবলৈ অপেক্ষা কৰি থকা জীৱটো হত্যা কৰিবলৈ টনয়ে বহুবাৰ প্ৰয়াস কৰিছিল। মই কিন্তু নিদিলোঁ। কুচক্ৰান্তকাৰী টনয়ে মোক বহুতো প্ৰলোভন দেখুৱাই আমাৰ ৰেজিষ্টাৰ কৰা কাগজখনো নষ্ট কৰালে । .........

পিতাই কয় তই বিনয়ক পৰিত্যাগ কৰ তোক মই এম এ পঢ়ুৱাম আৰু ঘৰত পুহি থাকিম। মই সেইটোও কৰিব নোৱাৰো মই যে বিবাহিতা স্ত্ৰী, মই পতিক ত্যাগ কৰিম কেনেকৈ ? অৱশেষত ভালুকী গাঁৱত বহুতো নিকাৰভূঞ্জী সাতমহীয়া গাৰে উত্তৰ গুৱাহাটীৰ বাইদেউৰ ঘৰ পালোহি। তাতেই মই মাইনুক জন্ম দিলোঁ..........

জীৱনে মোক থগিব খুজিলেও সেই সুবিধাখিনি দিয়া নাই । মাইনুৰ বয়স এতিয়া দুবছৰ। মাইনু, ডাঙৰ হলে তাইক ডাঙৰ দীঘল কৰিয়ে মই তাইৰ জৰিয়তে

সমাজ বিৱৰ্ত্তনৰ বাবে যুদ্ধ কৰিম। কথা হ'ল মই হাৰি নেযাওঁ। পুৰুষে ত্যাগ কৰিলেও মই নিৰ্ভীকতাৰে সমাজত চলি থাকিবলৈ মোৰ দৰে নিৰাশ্ৰয়া ছোৱালী তিৰোতা বিলাকক সাহ দিম জীয়াই থকাৰ। পুৰুষৰ কঠোৰ হাতৰ মুঠিৰ পৰা আতৰিও যে নাৰীয়ে ভালদৰে জীয়াই থাকিব পাৰে তাকেহে প্ৰতিপন্ন কৰা মোৰ উদ্দেশ্য। সমাজৰ মুখাপিন্ধা ভদ্ৰলোক টনয় চৌধুৰীহঁতৰ লেখিয়া লোকৰ মুখা খুলিবলৈ বাৰু কিমান দিন লাগিব ?

ঔ আ' নিশা বহুতো হ'ল। দূৰ ৰেলষ্টেচনৰ পৰা দুটা বজাৰ টং টং শব্দ ভাহি আহি মোৰ কাণত পৰিছে। প্ৰকৃতিখন একেবাৰে নিতাল মাৰি শুই আছে আমাৰ মাইনুজনীয়ো শুই আছে । তাইৰ মৰমলগা মুখখন চাই হেপাহ নপলাই। জানা ? পিচে কি জানা লিনা তোমাৰ পতি হেনো সাহিত্যিক, সাংবাদিক মানুহ । মই লগ পাব বিচাৰো। তেখেতক মোৰ বেদনাহুত কথাবোৰ কম আৰু সেই কথাখিনিকে লৈ এটা গল্প নতুবা উপন্যাস এখন লিখি উলিয়াব পাৰিব। তুমি জানো তেখেতৰ লগত মোক দেখাৰ সুবিধাকণ নিদিবা ?

সামৰো। নিশা পৰি আহিছে। জেঠমহীয়া আকাশ। আকাশখন গোমোঠা হৈ আছে জাকে জাকে বৰষুণ পৰিছে। কাইলৈ আকৌ ৰাতিপুৱা হ'ব। ৰঙালী প্ৰভাতে সকলোকে প্ৰকাশ দিব । ময়ো এই আশ্ৰমৰ বালিকা বিলাকক জগাই তুলিব লাগিব। জীয়াই থকাৰ আশাৰে। তোমালোকৰ খবৰ জনাবা ।

ইতি -
তোমাৰ
জ্যোৎস্না

ঃ টক্ টক্ টক্ দুৱাৰত শব্দ হ'ল ।

ঃ কোন ? জ্যোৎস্না উচপ খাই উঠিল।

ঃ বাইদেউ শুৱা নাই নেকি ? বহু ৰাতি হ'ল দেখোন ? জ্যোৎস্না লাহেকৈ উঠি গৈ দুৱাৰখন খুলি দি দেখে যে ৰমলা দুৱাৰমুখত।

ঃ কি হ'ল অ ৰমলা।

ঃ নাই,  একো হোৱা নাই। বাইদেউ আপোনাৰ লাইটটো জ্বলি থকা বাবে ভাবিলো আজি কি হ'ল বাইদেউৰ নিশা দুপৰলৈ উজাগৰে আছে যে। তাকে ভাবিহে দুৱাৰত টুকুৰিয়ালোঁ। বেয়া নেপাব।

ঃ বহা বহা, কিয় তুমিয়ো দেখোন উজাগৰে আছা নাগেশ্বৰলৈ মনত পৰিছে হ'বলা।

ৰমলা তলমূৰ হৈ মনে মনে থাকিল। কিবা এক অবুজ বেদনাৰ আৱেশত। যা শুই থাকগৈ। একো দুখ কৰিব নালাগে। আমি মৰি মৰি হলেও যুজি থাকিব লাগিব সমাজ বিৱৰ্ত্তনৰ আশাত। তাকে ভাবিয়েই মোৰ বান্ধৱী লিনালৈ এখন চিঠি লিখি আছিলো। সেয়েহে নিশা দুপৰ হ'ল।

ৰমলাও এগৰাকী পতি পৰিত্যক্তা মহিলা। শাহু, ননদ আৰু স্বামীৰ অত্যাচাৰত তেওঁ থাকিব নোৱাৰি এই আশ্ৰমখনত আশ্ৰয় লৈ আছে। জ্যোৎস্নাই তাইক সাহস দিয়ে জীয়াই থকাৰ।

ৰমলাই এটা দীঘল হুমুনিয়াহ এৰি নিজৰ কোঠালৈ বাট ললে। যাওঁ বাইদেউ..........

***

# দয়াৰামৰ দুৰ্দিন

দয়াৰামৰ চৰকাৰী চাকৰিৰ পৰা অৱসৰ পোৱা তিনিটা বছৰ হ'ল। অৱসৰৰ পিচত দয়াৰামৰ সময়বোৰ পাৰ নহয় । আগতে সময়মতে খায় বৈ উঠি অফিচলৈ যোৱা, তাৰ পৰা আহি ইটো সিটো কাম কৰি সময়বোৰ পাৰ কৰি দিছিল। ব্যস্ততাৰ মাজত ডুবি থকা দয়াৰামৰ মনত আন কোনো চিন্তাই মনটো তলাব পৰা নাছিল। এই অৱসৰী জীৱনটো ৰাতিপুৱাৰে পৰা বাতৰি কাকত খনৰ ইমুৰৰ পৰা সিমুৰৰ শেষ পৃষ্ঠাৰ শেষ বাক্যটিলৈ পঢ়াৰ বাহিৰে আন একো কামেই নাই । ল'ৰা-ছোৱালীয়ো ডাঙৰ হ'ল। সিহঁত নিজ নিজ কামতে ব্যস্ত। গতিকে তেওঁৰ লগত বহি বাৰু কোনে এষাৰ কথা পাতিব ? লগৰ ৰজত, ধীৰেণ ৰাভাহঁত মাজে মাজে আহিছিল সিহঁতৰ ঘৰলৈ। আটাইকেইজনে অৱসৰ পোৱা লোক। গতিকে গোটেইকেইজন লগ হৈ তাচ খেলা ইটো সিটো আলোচনা কৰি সময়বোৰ পাৰ কৰিছিল। কিন্তু সিটোও মুধা মৰিল। গৃহস্থই এইদৰে চাহপানীৰ খৰছ কৰিলে বেয়া পোৱা হ'ল। তেওঁলোকৰ প্ৰতি ল'ৰা-ছোৱালী কেইটাৰ সদভাৱ নোহোৱা হ'ল। তেওঁলোকে দয়াৰামৰ ঘৰলৈ অহাটো বন্ধ কৰিলে। কাৰ লগত বাৰু কথা কৈ দিনবোৰ নিয়াব। সেইবাবেই ডাঙৰ পুতেকৰ ঘৰলৈ গৈছিল । তাতো একেই অৱস্থা। পুতেকৰ সময়তো নাইয়েই ৰোৱাৰী নৱনিতাৰো ৰাতিপুৱা অলপো সময় নাই। ল'ৰাটোক স্কুললৈ নপঠোৱা পৰ্য্যন্ত এক মিনিট সময়ো হেৰফেৰ নকৰে। ৰাতিপুৱা গিৰিয়েকৰ যা-যোগাৰ কৰি দিয়াৰ পিচত ল'ৰাটোৰ যোগাৰ। তাৰ পিচত ৰন্ধা বঢ়া, আবেলি ল'ৰাটোক স্কুলৰ পৰা অহাৰ পিচত আকৌ তাৰ লগতে ব্যস্ত থাকে, গতিকে দয়াৰামৰ লগত সময় দিয়ে কেনেকৈ।

নৱনিতা কিন্তু বেচ বুদ্ধিমতী ছোৱালী । তাৰে ভিতৰতে দুই এটা কথা পাতি শহুৰেকে যাতে বেয়া নেপাই তালৈ লক্ষ্য ৰাখে ।

আজি ৰাতিপুৱা খনতে দয়াৰামে পুতেকৰ লগত আলোচনাত বহিব বিচাৰিছিল যদিও মৃদুলৰ সময়ৰ অভাৱ হোৱাত কথা পাতিব নোৱাৰিলে। তাকে

ভাবি দয়াৰামে পত্ৰিকত হাতত দৈনিক অসমখন লৈ চকু ফুৰাব খুজিছে যদিও মনৰ মাজত বহুতো পুৰণি কথাই ভাবুকি মাৰিলে।

এটা সময়ত কি আছিল দয়াৰামৰ আৰু দয়াৰামৰ পৰিয়ালৰ । এটা এটাকৈ স্মৃতিৰ পৰ্দাত ভাহি উঠিল। ল'ৰালিৰ পৰা যুৱকলৈ সেই কষ্টৰ দিনবোৰে বেছ্ তেওঁৰ হৃদয়ত খুন্দা মাৰিব ধৰিলে। মনত পৰিল কিদৰে তেওঁৰ বিয়াখন হৈছিল - কিয়নো বিয়া হৈছে মানৱ জীৱনৰ এটা স্মৰণীয় দিন । তাৰে কথা ভাবোতেই মনত পৰিল ক্লাচ ছিক্ছত পঢ়ি থাকোতেই তেওঁ একে গাঁৱৰেই আইকণ মহন্তৰ প্ৰেমত পৰিছিল। আইকণেও দয়াৰামক মনে-প্ৰাণে ভাল পাইছিল, কিন্তু দুয়োৰে জাত-পাত নিমিলে। দয়াৰাম দাসৰ গাওঁখন হ'ল জাত-পাতত খামুচি ধৰা গাওঁ। আইকণ আছিল গাওঁখনৰে অভিজাত্য মহন্ত পৰিয়ালৰ ছোৱালী দয়াৰাম হ'ল কেওঁত সম্প্ৰদায়ৰ । গতিকে কোনোপধ্যেই দুয়োজনৰ মিলন সম্ভৱপৰ নহয় । দয়াৰাম আৰু আইকণে গাওঁখনৰ এই বাচ-বিচাৰ, জাত-পাত, উচ্চ-নীচ ভাব আঁতৰ কৰিবলৈ সংগ্ৰাম কৰিবলৈ আৰু যিকোনো পৰিস্থিতিৰ সম্মুখীন হ'বলৈ ককালত সাহসৰ কবচ বান্ধি ললে। অহুকাণে-পহুকাণে বাপুৰ পৰিয়ালৰ ছোৱালী আইকণ আৰু নন্দ কেওঁতৰ ল'ৰা দয়াৰামৰ প্ৰণয়ৰ কাহিনী ঘুনুক-ঘানাককৈ গাওঁখনত প্ৰচাৰ হ'ল। গুৰুঘৰৰ ছোৱালীত চকু পেলোৱা বাবে দয়াৰামৰ ওপৰত বাপেক নন্দ কেওঁত অগ্নিশৰ্মা হৈ পৰিল আৰু দয়াৰামৰ পিঠিত ঔকিল পেলালে। আনহাতে আইকণৰ দেউতাক হৰবিলাশ মহন্ত আছিল গাওঁখনৰ ভিতৰতে উচ্চমনা আৰু সংস্কাৰধৰ্মী। এই হৰবিলাশ মহন্তৰ প্ৰযত্নতে গাওঁখনলৈ আহিছিল আধুনিক যুগৰ বতাহ । হৰবিলাশ মহন্তই গম পালে তেওঁৰ ছোৱালী আইকণে দয়াৰামৰ লগত প্ৰেমপাশত আৱদ্ধ বুলি। তেওঁ আইকণক লাজ মান এৰিও কলে – “মা – সঁচাকৈয়ে তুমি সংস্কাৰ মুখী মনোবৃত্তি ল'ব পাৰিছা নে, নে সাময়িক উত্তেজনাৰ বশৱৰ্ত্তী হৈ দয়াৰামক বিয়া কৰাব খুজিছা । চোৱা, আমাৰ গাওঁখনত এতি য়াও আধুনিক যুগৰ পোহৰ পৰা নাই। কুসংস্কাৰে গোটেই গাওঁখন গিলি আছে। তুমি যদি সঁচাকৈয়ে দয়াৰামক ভাল পাইছা তেতিয়াহলে মই তোমালোকৰ বিয়া পাতি দিম।"

দেউতাকৰ কথাখিনি শুনি আইকণৰ চকু হালৰ পৰা গিৰ গিৰকৈ অশ্ৰু নিগৰি আহিছিল আৰু দেউতাকৰ বিশাল মনৰ মাজত লুকাই থকা ব্যক্তিত্বত মূৰ দো খাই গৈছিল। পিচত গৈ বাপেক জীয়েকৰ আলোচনাখিনি গাঁৱৰ কীৰ্ত্তন ঘৰৰ বকুল জোপাৰ তলত কানিমুনি পৰতে দয়াৰামক লগ ধৰি আইকণে কৈছিল আৰু

তেওঁ সাহস পাইছিল । শেষত সংস্কাৰমুখী হৰবিলাশ মহন্তই পৰিয়ালৰ আটাইবিলাকৰ লগত বেয়া হৈ বিয়াখন সম্পন্ন কৰিছিল। সেইজনা মহান পুৰুষৰ বাবেই তেওঁ ইমানখিনি পাইছে । গতিকে সেইখন ঘৰক বাৰু কেনেকৈ পাহৰে দয়াৰামে । গতিকে হাতত চাহকাপ লৈ বোৱাৰী নৰনিতা আহি পৰ্ট্ৰিক পালে।

ঃএয়া চাহকাপ লওঁক দেউতা। কিবা অসুখ বিসুখ নেকি, কি হ' ল দেউতা বুলি এবাৰ শহুৰেকৰ পিনে নৰনিতাই চাই ললে ।

ঃনহয় অ' বোৱাৰী মৃদুৰ লগত অলপ কথা আছিল বাবেই এয়া ডিব্ৰুগড় আহি পালো। পিচে দেখোন তহঁতৰ কাৰো মোৰ লগত কথা পৰাৰ সময়কে নাই। বুঢ়া হলে জানো সকলোৰে এনে দশা হয় ?

ঃ অ' ৰ'ব বুলিকৈ নৰনিতাই তেওঁৰো চাহ কাপ লৈ শহুৰেক দয়াৰামৰ কাষত বহিল।

ঃ কওঁকচোন দেউতা, পিচে তেওঁক খং নকৰিব। পুলিচৰ চাকৰি নহয়, কলৈ কেতিয়া দৌৰিব লাগে ঠিকেই নাই। তাতে জানেই নহয় আজিকালিৰ পৰিস্থিতি। ক'ত কেতিয়া কাৰ কি হয়।

চাহকাপত সোহা এটা মাৰি কব ধৰিলে দয়াৰামে - তেওঁৰ পুৰণি দিনৰ কথাবোৰ।

ঃ জানা বোৱাৰী, আমি গাওঁখনৰ পৰা এঘৰীয়া হৈ আছো নহয় । তোমাৰ বিয়াৰে পৰাই আমি একাষৰীয়া। আমি আচলতে মহাপুৰুষীয়া ধৰ্মৰলোক। গাওঁখনত দুটা ফৈদ হ'ল। আমি যদিও মহাপুৰুষীয়া লোক আমাৰবোৰৰ মা-দেউতাক মৰিলে মুণ্ডন কৰা পদ্ধতি আছে। পিচে আজিকালি কিছুমানে সেই প্ৰথা এৰিছে। তাকে লৈ গাওঁখন দুভাগ হ'ল । আমাৰ শহুৰহঁত হ'ল মহন্ত মানুহ। আমাৰ গোষ্ঠীৰ লোকসকলেও মহন্তৰ ফলীয়া হৈ আছে । পিচে মৃদুলৰ বিয়াত আমি দুয়োপক্ষকে বিয়ালৈ মাতিলো। মুণ্ডন নকৰা পাৰ্টি বিয়া খাবলৈ আহিল । বাকী ফৈদ মোৰ শহুৰ পক্ষ আৰু মোৰ ভাই ককাই কোনো নাহিল । তাৰ পৰাই মোৰ ঘৰখন গাঁৱৰ পৰা একাষৰীয়া । মই ভাবিছিলো গাঁৱত অহা নহা বেলেগ কথা কিন্তু গুৱাহাটীত সেইবোৰ দোষে নেপাই। পিচে নহয় । কথাটো ইমান ভাঙৰ হৈ পলি যে মোৰ ল'ৰা-ছোৱালীয়ে এনে কুসংস্কাৰমূলক কথাৰ বিৰোধিতা কৰি সকলোকে

এৰিলে। সকলোৰে লগত সম্পৰ্ক ছেদ কৰি পেলালে । পিচে জানা বোৱাৰী, সিহঁতে পাহৰিলেও মই কিছুমান কথা পাহৰিব নোৱাৰো নহয় । মোৰ জন্মভূমি, মোৰ গাওঁ, মোৰ বতি বংশৰ কথা সহজতে পাহৰি যাব পাৰোনে ? যিখন গাঁৱত জনম ললো সেই ঠাইৰ কথাবোৰ ল'ৰালিৰ কথাবোৰ, যৌৱনৰ কথাবোৰ ভাবি ভাবি মন বিয়াকুল হয়। "মই এতিয়া অৱসৰ পাইছো, কিমান বাৰু ঘৰখনতে সোমাই থাকিম। সেই কাজিয়াৰ বাবে গাওঁখনলৈও যাব নোৱাৰা হলো, বতি বংশৰ লগত সম্পৰ্ক নোহোৱা হ'ল। প্ৰমিলাৰ বিয়া হৈ গ'ল ল'ৰা-ছোৱালী কেইটাই কাকো মাতিব নিদিলে। পিচে কথাবোৰ মোৰহে কানত পৰে বোলো "দয়াৰাম তোমাৰ ককাই ভাই ঘৰৰ পৰা কোনো অহা নাই নেকি ? **শহুৰৰ** ঘৰৰো কোনো নাই দেখোন?" সকলোকে কিবাকিবি কৰি অজুহাত দেখুৱাই দুখনকৈ বিয়া পাৰ কৰালো। পিচে এতিয়া আৰু এনেদৰে থাকিবৰ মন নাই বুইছা। সকলো এক লগ হ'ব লাগে। খং কৰি থাকিলেই হ'ব নে ? সোঁতৰ বিপৰিতে গৈ কোনো বিপ্লৱ কৰিব নোৱাৰি। সোঁতৰ সৈতে মিলিগৈহে বাধা দিব লাগিব। তেওঁলোকৰ ওচৰলৈ গৈ মিলা মিছি কৰিলেহে এনে বোৰ কুসংস্কাৰ বন্ধ হ'ব। আজি তোমাৰ শাহু মাইয়েৰাই নিজৰ মাক ভাইয়েকক মাতিব নোৱাৰে। কাৰণ আমি এতিয়াৰ ল'ৰা ছোৱালীৰ অধিনতহে থাকিব লগাত পৰিছোঁ। তুমি কবাচোন বোৱাৰী এনেদৰে বংশৰ পৰা আতৰ হৈ থাকিলে মনে বৰ কষ্ট পাই জানা। দয়াৰামে কথাবোৰ এটাৰ পিচত এটা বোৱাৰীয়েকৰ আগত কৈ গৈছিল। বোৱাৰীয়েকে মন দি শুনি আছিল। এনেতে কলিং বেলটো ক্ৰিং ক্ৰিং কৈ বাজি উঠিল। পৰ্দাখন মেলি দেখে যে বড়ো।

ঃ কি হে বড়ো, কি হ'ল?

ঃ বাইদেউ আপুনি মোৰ লগতে বলকচোন, জীপখন লৈ আহিছে। নৱনিতাৰ গাটো জিকাৰ খাই উঠিল, বুকুখনে ধানবনা দিব ধৰিলে– কিবা এক অজান আশংকাত আৰু টপৰাই সুধিলে ।

ঃ কোৱা না কি হৈছে, গাড়ী লৈ আহিছা কিয় ? নৱনিতাৰ কণ্ঠ ঠোকাঠুকি লাগিছিল।

ঃ নাই বিশেষ একো হোৱা নাই । চাৰৰ একচিডেণ্ট হৈছে আপুনি হোস্পিটেললৈ যাব লাগে।

উষাতু খাই নৱনিতা হৰমোহন বড়োই লৈ অহা জীপ গাড়ীখনত উঠিল, পিচে পিচে গৈ দয়াৰামো গাড়ীত উঠিল গৈ..........।

***

বিঃদ্রঃ– [কাহিনীৰ পটভূমি সম্পূৰ্ণ কল্পনাপ্ৰসূত, এনে সমস্যা যদি লেখকৰ অজ্ঞাতে কাৰোবাৰ সৈতে মিলি যায় — ক্ষমা কৰিব]